## কেবিনেটত নিষিদ্ধ হ'ল ফোন
ই-সংবাদ, ১৪ ডিচেম্বৰঃ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশ অনুসৰি এক নিৰ্দেশনা প্ৰকাশ ৮ পৃষ্ঠাত চাওক



www.newsnextone.com

# e সংবাদ



ROYAL CONSTRUCTION

MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES

FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39



SUNDAY, DECEMBER 15, 2024 ■ দেওবাৰ, ২৯ আঘোণ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ৩৪২ Guwahati, Assam ।। মূল্যঃ এটকা


## প্ৰযুক্তিৰ ইপাৰ-সিপাৰ

■ ড০ দয়ানন্দ শ্বাহ



ন-শৰ্কৰী

কেতিয়াবা নিজকে কিছুমান অদ্ভুত প্ৰশ্ন কৰো। যেনে ধৰক আমাৰ অনুপস্থিতিত কোন সুখী আৰু শেষাংশ ৩ পৃষ্ঠাত

### নাড্ডাই শুনি থকাৰ ভাও ধৰিছিল, গোৱেলৰ টোপনি আহিছিলঃ প্ৰিয়ংকা

# একেই কথা, একেই সুৰ! নতুনত্বহীন মোদীৰ ভাষণ



নতুন দিল্লী, ১৪ ডিচেম্বৰঃ সংবিধান গৃহীত হোৱাৰ ৭৫ বছৰীয়া জয়ন্তী উপলক্ষে সংসদত আয়োজন কৰা আলোচনাত প্ৰধানমন্ত্ৰীৰ ভাষণত উত্থাপন হ'ল কেইবাটাও গুৰুত্বপূৰ্ণ দাবী। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে ভাৰত বৈচিত্ৰ্যৰ দেশ, কিন্তু সেই বৈচিত্ৰ্যত শেষাংশ ২ পৃষ্ঠাত

### ভাষণৰ মাজতে ক্ষতিপূৰণ বঞ্চিত বানাক্ৰান্তৰ প্ৰতিবাদ

# গোলাঘাটত ফুটিল মুখ্যমন্ত্ৰীৰ উন্নয়নৰ বেলুন



## নুঠিলে ছেলফি, দেখুৱালে প্লে'কাৰ্ড

ই-সংবাদ, ১৪ ডিচেম্বৰঃ গোলাঘাট জিলাৰ ৫ জনপ্ৰতিনিধিৰ সন্মুখত মহা বিমোৰত পৰিল মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা। মুখ্যমন্ত্ৰীৰ ২ পৃষ্ঠাত চাওক

## সংবিধান নে মনুস্মৃতি? সংসদত প্ৰশ্ন ৰাহুলৰ



নতুন দিল্লী, ১৪ ডিচেম্বৰঃ সদনৰ মজিয়াত শাসক পক্ষৰ বিৰুদ্ধে পুনৰ এবাৰ গৰজি উঠিল লোকসভাৰ বিৰোধী দলপতি ৪ পৃষ্ঠাত

## বিটিআৰৰ বন বিভাগৰ পৰীক্ষাৰ দিন পিছুৱালে

ই-সংবাদ, কোকৰাঝাৰ, ১৪ ডিচেম্বৰঃ বিটিআৰ চৰকাৰৰ অধীনত অহা ১৫ ডিচেম্বৰত অনুষ্ঠিত হ'বলগীয়া বন বিভাগৰ শেষাংশ ৪ পৃষ্ঠাত

## নিলম্বিত বন বিষয়া আতাউৰ

ই-সংবাদ, ১৪ ডিচেম্বৰঃ গোৱালপাৰা জিলাৰ এগৰাকী বন বিষয়াক চাকৰিৰ পৰা নিলম্বন শেষাংশ ৫ পৃষ্ঠাত



## দঃ কোৰিয়াৰ ৰাষ্ট্ৰপতি অপসাৰিত

ছিউল, ১৪ ডিচেম্বৰঃ অভিযোগনামাৰ জৰিয়তে পদৰ পৰা অপসাৰণ কৰা হ'ল শেষাংশ ৭ পৃষ্ঠাত

### গুৱাহাটীত আৰক্ষীৰ সন্মুখতেই গোচৰৰ ব্যৱসায়!

# ১ লাখ টকা দাবী কৰি সত্তৰ হাজাৰত গোচৰৰ মীমাংসা



## ভাইৰেল হ'ল ভিডিঅ'

ই-সংবাদ, ১৪ ডিচেম্বৰঃ গুৱাহাটী মহানগৰীত কেতিয়াও নোহোৱা-নোপোজা ঘটনা সংঘটিত হৈছে। এগৰাকী মহিলাই তিনি যুৱকে প্ৰহাৰ কৰাৰ শেষাংশ ৫ পৃষ্ঠাত

### মুখখনো ভাল কৰিবলৈ দিহা


# আকাশ ফুকনক ভাল আখ্যা মুখ্যমন্ত্ৰীৰ



ই-সংবাদ, ১৪ ডিচেম্বৰঃ অসমৰ শিক্ষামন্ত্ৰী ৰণোজ পেগুক মক্কেল আখ্যা দি অবাইচ গালি-গালাজ কৰা বোকাখাত বিজেপিৰ নেতা আকাশ শেষাংশ ৪ পৃষ্ঠাত

### আৰক্ষীৰ আক্ৰমণত আহত ১৭ জনকৈ কৃষক

# কৃষকৰ আন্দোলনক লৈ পুনৰ উত্তপ্ত শম্ভু সীমান্ত



নতুন দিল্লী, ১৪ ডিচেম্বৰঃ দেশৰ অন্নদাতা কৃষকৰ সৈতে পুনৰ সংঘৰ্ষত লিপ্ত হ'ল আৰক্ষী। নিজৰ অধিকাৰৰ শেষাংশ ৭ পৃষ্ঠাত

## অৰুণাচলত অঘটন, নিহত ৩ শিক্ষাৰ্থী

ই-সংবাদ, ১৪ ডিচেম্বৰঃ অৰুণাচল প্ৰদেশৰ নাহৰলগুনত সংঘটিত এক শোকাবহ দুৰ্ঘটনাত প্ৰাণ হেৰুৱায় বিদ্যালয়ৰ ৩ শিক্ষাৰ্থীয়ে। শেষাংশ ৭ পৃষ্ঠাত

# শিৱসাগৰৰ পৰা পুনৰ নিৰ্বাচন খেলিব বিধায়ক অখিলে

### গোলাঘাটত কৰ্মী সভাত ঘোষণা

ই-সংবাদ, ১৪ ডিচেম্বৰঃ আজি ৰাইজৰ দলে গোলাঘাট জিলাত দলটোৰ সভাপতি অখিল গগৈৰ উপস্থিতিত কৰ্মীসভা অনুষ্ঠিত কৰে। পঞ্চায়ত আৰু বিধানসভা শেষাংশ ৭ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# একেই কথা, একেই সুৰ! নতুনত্বহীন

ঐক্যই আমাৰ মূল শক্তি। মোদীয়ে কয়, "আজি কিছুমান মহলে বিভাজনৰ বিষ বিয়পাই ভাৰতৰ ঐক্য বিনষ্ট কৰাৰ চেষ্টা কৰিছে।" তেওঁ লগতে কয়, "ভাৰত কেৱল বিশ্বৰ সৰ্ববৃহৎ গণতন্ত্ৰ নহয়, ই গণতন্ত্ৰৰ জননী।" প্ৰধানমন্ত্ৰীয়ে আৰু কয় যে ভাৰতৰ গণতন্ত্ৰ প্ৰাচীন আৰু প্ৰগতিশীল, যিটো সংবিধানত প্ৰতিফলিত হৈছে। কিন্তু বৰ্তমান সময়ত এই সংবিধান দিৱসত অংশগ্ৰহণ নকৰা একাংশ লোকে বিভাজন সৃষ্টিৰ চেষ্টা চলাইছে। শনিবাৰে সংসদত থিয় হৈ প্ৰধানমন্ত্ৰীয়ে তীব্ৰ কণ্ঠেৰে ঘোষণা কৰে যে, "স্বাধীনতাৰ ১০০ বছৰ উদযাপনৰ সময়ত ভাৰতে এখন উন্নত দেশ হিচাপে আত্মপ্ৰকাশ কৰিব।" তেওঁ দাবী কৰে যে বৰ্তমানৰ চৰকাৰৰ অধীনত দেশৰ উন্নয়নৰ সকলো বাধা আঁতৰোৱা হৈছে। মহিলাসকলক তেওঁলোকৰ সামগ্ৰিক উন্নয়নৰ বাবে অধিক সুযোগ দিয়া হৈছে, দেশৰ ঐক্যৰ বাবে জি এছ টি আৰু ৩৭০ অনুচ্ছেদ বাতিলৰ দৰে সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ইয়াৰ পিছতে প্ৰধানমন্ত্ৰীয়ে গান্ধী পৰিয়ালক পোনপটীয়াকৈ আক্ৰমণ কৰি কয় যে সংবিধান গৃহীত হোৱাৰ ৭৫ বছৰৰ ভিতৰত এটা পৰিয়ালে ৫৫ বছৰ শাসন কৰিছিল। কংগ্ৰেছ আৰু সেই পৰিয়ালটোৱে কেতিয়াও সংবিধানৰ ওপৰত আক্ৰমণৰ সুযোগ হেৰুওৱা নাছিল। মোদীয়ে কয়, "কংগ্ৰেছৰ কুকৰ্মৰ প্ৰভাৱ আজিও দেশত ৰৈ গৈছে, আৰু এই পাপ কেতিয়াও মচিব নোৱাৰি।" মোদীয়ে লগতে কয় যে সংবিধান যেতিয়াই বাধা হৈ পৰিছে তেতিয়াই সংবিধান সলনি কৰাৰ চেষ্টাও হৈছে। ইন্দিৰা গান্ধীৰ ইমাৰ্জেন্সীৰ প্ৰসংগ পুনৰ এবাৰ উত্থাপন কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়, "ইমাৰ্জেন্সী অৱস্থাৰ দাগ কেতিয়াও মচি পেলাব পৰা নাযায়।" ইফালে, প্ৰধানমন্ত্ৰী মোদীয়ে লোকসভাত সংবিধান প্ৰসংগত দিয়া আজিৰ ভাষণক লৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে বিৰোধীয়ে। বায়নাডৰ কংগ্ৰেছৰ নৱ-নিৰ্বাচিত সাংসদ প্ৰিয়ংকা গান্ধীয়েও মোদীৰ ভাষণক লৈ নিজৰ মত ব্যক্ত কৰে। সংসদৰ পৰা বাহিৰলৈ ওলাই অহা সময়ত সাংবাদিকে প্ৰতিক্ৰিয়া বিচৰাত সাংসদগৰাকীয়ে ভাষণক লৈ মোদীক তীব্ৰ কটাক্ষ কৰে। তেওঁ কয়, "প্ৰধানমন্ত্ৰীয়ে এটাও নতুন কথা নক'লে। কেৱা দশকৰ অন্তত মোৰ অনুভৱ হৈছিল যে যিদৰে স্কুলত গণিতৰ দুটা পিৰিয়ড হৈছিল মই যেন তাতেই বহি আছিলো।" প্ৰিয়ংকা গান্ধীয়ে আৰু কয়, "ভাষণৰ সময়ত জেপি নাড্ডাই নিজৰ হাত দুখন মোহাৰি আছিল। যেতিয়াই মোদীয়ে তেওঁৰ ফালে হঠাৎ চাই দিছিল তেতিয়াই নাড্ডাই ভাষণ মনোযোগেৰে শুনি থকাৰ অভিনয় কৰিবলৈ লাগি গৈছিল। অমিত শ্বাহে মূৰটো লৰাই আছিল। মোৰ বাবে এয়া এক নতুন অনুভৱ আছিল।" সাংসদ গান্ধীয়ে গৌতম আদানিৰ প্ৰসংগ উল্লেখ কৰিও মোদীক আক্ৰমণ কৰে। তেওঁ কয়, "মই এনেকৈ ভাবিছিলো যে প্ৰধানমন্ত্ৰীয়ে আজি নতুন কিবা এটা ক'ব, কামত অহা কথা ক'ব। তেওঁ ১১টা অসাৰ সংকল্পৰ কথা কৈছে। যদিহে ভ্ৰষ্টাচাৰৰ বিৰুদ্ধে শূন্য সহনশীল নীতি আছেই তেন্তে আদানিৰ প্ৰসংগক লৈ আলোচনা হ'বলৈ দিয়ক।"

প্ৰথম পৃষ্ঠাৰ পৰা...

# গোলাঘাটত ফুটিল মুখ্যমন্ত্ৰীৰ উন্নয়নৰ

ঘনিষ্ঠ মন্ত্ৰী তথা অগপৰ বোকাখাতৰ বিধায়ক অতুল বৰা, গোলাঘাটৰ বিজেপি বিধায়ক তথা মন্ত্ৰী অজন্তা নেওগ, সৰুপথাৰৰ বিজেপি বিধায়ক বিশ্বজিৎ ফুকন, খুমটাইৰ বিজেপি বিধায়ক মৃণাল শইকীয়া, অগপৰ দেৰগাঁৱৰ বিধায়ক ভৱেন ভড়ালী মঞ্চত বহি থকাৰ সময়তে ভাষণৰত মুখ্যমন্ত্ৰী প্ৰতিবাদৰ সন্মুখীন হয়। কিছু সময়ৰ বাবে ভাষণ দিয়া বন্ধ কৰি একাংশ লোকক বুজনি দি অস্বস্তিকৰ পৰিৱেশৰ সন্মুখীন হয় মুখ্যমন্ত্ৰীগৰাকী। মেনেজ মাষ্টৰ বুলি নাম থকা গোলাঘাটৰ জনপ্ৰতিনিধি আৰু জিলা প্ৰশাসনৰ বিষয়াসকলে পূৰ্বানুমান লাভ নকৰাত মুখ্যমন্ত্ৰীয়ে উপস্থিত থকা সভাৰ মঞ্চৰ সন্মুখলৈ আহি একাংশ লোকে প্ৰতিবাদ কৰিবলৈ সক্ষম হয়। আনক জ্ঞান দিয়া, টিভিৰ ষ্টুডিঅ'ৰ বহুবক্কি জনপ্ৰতিনিধিসকলৰ সন্মুখত মুখ্যমন্ত্ৰীয়ে অস্বস্তিকৰ পৰিস্থিতিৰ সন্মুখীন হোৱাত বিজেপিৰ ভিতৰচ'ৰাত মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। কেতিয়াও আশা কৰা নকৰা পৰিস্থিতিৰ সন্মুখীন হোৱাত মুখ্যমন্ত্ৰীয়ে নিজেই পৰিস্থিতি চম্ভালিবলগীয়া হয়। সেই সময়ত মুখ্যমন্ত্ৰীৰ সৈতে বহি থকা বিধায়ক তথা নেতাসকলে মুখলজ্জা ঢাকিবলৈ প্ৰয়াস কৰাতো স্পষ্ট হয়। ছেলফি উঠিবলৈ ভাল পোৱা জনগণে প্ৰায়ে ৰাজহুৱা স্থানত মুখ্যমন্ত্ৰীক ওচৰত পালে খোঁকি-বাখোঁ লগায়। মুখ্যমন্ত্ৰীয়ে বহুবাৰ তেনে ফটো আৰু ভিডিঅ' শ্বেয়াৰ কৰি মানুহৰ পৰা লাভ কৰা মৰমত লৈ গদগদ হোৱা পৰিলক্ষিত হয়। কিন্তু আজিৰ দৃশ্য আছিল সম্পূৰ্ণ বিপৰীত। আজি দিনযোৱা কাৰ্যসূচীৰে গোলাঘাটত উপস্থিত হৈছিল মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা। জিলাখনৰ দুই সহস্ৰাধিক হিতাধিকাৰীৰ অনুদান বিতৰণ কৰিবলৈ গোলাঘাটৰ সমন্বয় ক্ষেত্ৰত অনুষ্ঠিত হৈছিল মুখ্যমন্ত্ৰীৰ সভা। মুখ্যমন্ত্ৰীয়ে সভাত ভাষণ দি থকাৰ মাজতে প্ৰতিবাদ সাব্যস্ত কৰিলে বানত ক্ষতিগ্ৰস্ত নৈ-পৰীয়াই। ১৯টা পৰিয়ালে মুখ্যমন্ত্ৰীৰ সন্মুখতে প্লে-কাৰ্ড প্ৰদৰ্শন কৰাত ক'ত কি হ'ল আৰক্ষীয়ে ধৰিবই নোৱাৰিলে। বানত ক্ষতিগ্ৰস্ত ১৯টা পৰিয়ালে 'মামা আমাক ন্যায় লাগে' বুলি শ্ল'গান দি প্লে-কাৰ্ড প্ৰদৰ্শন কৰে। ভাষণ বন্ধ কৰি প্ৰতিবাদকাৰীক উদ্দেশ্যি মুখ্যমন্ত্ৰীয়ে কয় যে অলপ পাছত কথা পাতিম, আপোনালোক বহি দিয়ক। কিন্তু মুখ্যমন্ত্ৰীৰ কথাক গুৰুত্ব নিদি শ্ল'গান দি থকাত মুখ্যমন্ত্ৰীয়ে পুনৰ কয় যে আপোনালোকে বহক, নহ'লে পাছত কথা পাতিবলৈ ভাল নালাগিব। মই মাতি আনি কথা পাতিম। মুখ্যমন্ত্ৰীৰ আহ্বানত আশ্বস্ত প্ৰতিবাদকাৰী পৰিয়ালকেইটাই ক্ষান্ত হোৱাত মুখ্যমন্ত্ৰীয়ে পুনৰ ভাষণ দিয়ে। তেনে সময়তে আৰক্ষী সক্ৰিয় হৈ বানপীড়িতসকলক আতৰাবলৈ প্ৰয়াস কৰে। মুখ্যমন্ত্ৰীৰ সভাৰ বাবে নিয়োজিত বহু আৰক্ষীয়ে সভাৰ মাজৰ পৰা প্ৰতিবাদকাৰীক আতৰাবলৈ বহু সময় কষ্ট কৰিবলগীয়া হয়। এগৰাকী বয়োজ্যেষ্ঠ প্ৰতিবাদকাৰীয়ে সংবাদমাধ্যমত দিয়া বক্তব্য অনুসৰি তেওঁ উজনি বৰগাঁৱৰ পৰা আহিছে। যোৱা বানত তেওঁৰ ঘৰ-বৰা সকলো উটি যায়। কিন্তু বান ক্ষতিগ্ৰস্তক সাহায্য দিবলৈ প্ৰকাশ পোৱা তালিকাত তেওঁলোকৰ নাম অহা নাই। যাৰ বাবে তেওঁলোকে মুখ্যমন্ত্ৰীৰ সন্মুখত প্ৰতিবাদ কৰিবলৈ বাধ্য হৈছে। জ্যেষ্ঠ নাগৰিক ৰমাকান্ত মৰাণে কয় যে আমাৰ ঘৰ আজিও ২০ ফুট দ'ত সোমাই আছে। আমাৰ সেই এলেকাৰ যিসকল প্ৰকৃততে বানত ক্ষতিগ্ৰস্ত হৈছে তেওঁলোকৰ তালিকাত নামেই নাই। ৰমাকান্ত মৰাণে অভিযোগ কৰা মতে, বানত ক্ষতি নোহোৱা মানুহৰ সাহায্য লাভৰ বাবে প্ৰকাশিত তালিকাত নাম আহিছে। কিন্তু তেওঁলোকৰ নাম অহা নাই। যাৰ বাবে মুখ্যমন্ত্ৰীৰ সভাত তেওঁলোকে প্ৰতিবাদ কৰিবলৈ বাধ্য হৈছে। মুখ্যমন্ত্ৰীৰ ঘনিষ্ঠসকলে ৰাইজ সুখী বুলি জহোৱাৰ সময়তে আজিৰ দৃশ্যই নতুনকৈ ভাবিবলৈ বাধ্য কৰিব। চৰকাৰৰ কামকাজত যে বহুলোক সুখী নহয় তাকো প্ৰতিপন্ন কৰিছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# প্ৰযুক্তিৰ ইপাৰ-সিপাৰ

কোন দুখী সেয়া মই কেনেকৈ জানিব পাৰিম? অথবা যদি এদিন এটা নিৰ্জন দ্বীপত আৱদ্ধ হৈ পৰোঁ, তেন্তে মই কি কৰিম?

সিদিনা চাহ দোকান এখনৰ সন্মুখত মোবাইলৰ স্ক্ৰীনত চকু কেইটা বান্ধি থৈ থিয় হৈ থকা ল'ৰা কেইটামান দেখি নিজকে নিজেই প্ৰশ্ন কৰিছিলোঁ- মোৰ বাবে কোনবোৰ দিন ভাল? পাৰ কৰি অহা অতীত নে প্ৰযুক্তিৰে ভৰা এই বৰ্তমান? চাহ দোকানৰ সন্মুখৰ সেই চেঙেলীয়া কেইটাৰ গাবোৰ গাত লাগি আছিল, কিন্তু মনবোৰ যেন বহু যোজন দূৰত! মোবাইল স্ক্ৰীনত কোনো চঞ্চল নৰ্তকীৰ দৰেই যেন নাচি আছিল সিঁহতৰ আঙুলিবোৰ, আৰু স্ক্ৰীনৰ ভিতৰত আছিল সেই নৃত্য উপভোগ কৰিবলৈ ৰৈ থকা এখন অসীম পৃথিৱী!

সেই মুহূৰ্তত মোৰ মনত পৰিছিল তাহাতৰ বয়সৰ আমাৰ দিনবোৰৰ কথকতা! প্ৰায় আশীৰ দশক। সেই সময়ত চুবুৰীটোৰ একমাত্ৰ আকৰ্ষণ আছিল ৰেডিঅ'। বিশেষ অনুষ্ঠান হ'লে চুবুৰীৰ মানুহবোৰ একে ঠাইতে গোট খাইছিল। বাতৰি শুনা, কাহিনী কোৱা- এইবোৰেই আছিল আমাৰ আনন্দৰ আটাইতকৈ ডাঙৰ উৎস। তেতিয়া ৰেডিঅ' কেৱল এটা যন্ত্ৰই নাছিল, আছিল আমাৰ জীৱনৰ এটা অংশ।

নব্বৈৰ দশকৰ আৰম্ভণিতে চুবুৰীটোলৈ আহিছিল এটা ক'লা-বগা টিভি। চুবুৰীৰ দদাইদেও, ককাইদেউ সকলো আহি একে ঠাইতে বহি উপভোগ কৰিছিল "ৰামায়ণ" বা "মহাভাৰত"। চুবুৰীয়াৰ ভিৰেৰে ভৰি পৰিছিল ঘৰ-চোতাল। যেন টিভিত কোনো ধাৰাবাহিক নহয়, উৎসৱহে চলিছিল গৃহস্থৰ ঘৰত। কিন্তু আজি এই দৃশ্যটো দেখা পোৱা যাবনে? নিশ্চয় এতিয়া আৰু সেয়া সম্ভৱ নহয়। এতিয়া সকলোৰে নিজৰ নিজৰ পৰ্দাত আবদ্ধ হৈ পৰিছে। একেলগে এটা অনুষ্ঠান চোৱাৰ আনন্দ হেৰাই গৈছে।

প্ৰযুক্তিয়ে আজি আমাক কিমান দিছে! ২০২৪ চনলৈ চালে দেখা যায় যে বিশ্বৰ প্ৰায় ৫.৪৮ বিলিয়ন লোকে ইণ্টাৰনেট ব্যৱহাৰ কৰি আছে। ১৯৮৩ চনত এই সংখ্যা আছিল মাত্ৰ ৪ কোটি ২৩ লাখ। এই বৃহৎ পৰিৱৰ্তন লক্ষ্যণীয়। তাহানি আমি খবৰৰ বাবে অপেক্ষা কৰিছিলো। ৰাতিপুৱা বাতৰি কাকতখন হাতত লৈয়েই আৰম্ভণি ঘটিছিল দিনটোৰ। দেশ-দুনিয়াৰ খবৰ পাবলৈ অপেক্ষা কৰিবলগীয়া হৈছিল ঘণ্টাৰ পিছত ঘণ্টাধৰি। এতিয়া, কেৱল মোবাইলৰ স্ক্ৰীণলৈ চকু দিলেই থাউকতে পাব পাৰি বিশ্বৰ হাজাৰটা খবৰ। আমি জানিব বিচৰা-নিবিচৰা অনেক খবৰেই প্ৰতিনিয়ত ঘূৰ্মুটিয়াই ফুৰে আমাৰ চৌদিশে। কিন্তু এই খবৰবোৰে আগৰ দৰে উত্তেজনা, আৱেগ বা আনন্দ কঢ়িয়াই আনেনে?

আমাৰ সময়ত লেখাই আছিল যোগাযোগৰ মূল মাধ্যম। চিঠি এখন লিখিম। প্ৰায় দহ দিন লাগিছিল এখন চিঠি আহিবলৈ। সেই অপেক্ষাত আছিল এক মধুৰ আনন্দ। ডাকোৱালে দি যোৱা চিঠিখন হাতত লৈ অনুভৱ হৈছিল হৃদয়ৰ এক উষ্ণতা। আজি সেই শিঁহৰণ নাই ইমেইল বা হোৱাটছএপ মেছেজত। এসময়ত "কেনে আছা?" বুলি সোধাৰ উত্তৰত লাভ কৰা আবেগময় বাৰ্তাৰ ঠাইত আজি মোবাইল স্ক্ৰীণত ভাঁহি ৰয় এটাই শব্দ- "Typing..."! সময়ৰ এনে দ্ৰুত পৰিৱৰ্তনত কেনেকৈয়ে বা অনুভৱ হ'ব হৃদয়ৰ উন্মাদনা?

তাহানি মুকলিকৈ কথা পতাৰ সময় আছিল আমাৰ। সন্ধিয়াৰ চুবুৰীৰ আড্ডাবোৰ আছিল এক অমূল্য সময়। ঘণ্টাৰ পিছত ঘণ্টা ধৰি কাহিনী চলিছিল। সেই কাহিনীটোত আছিল ৰাজনীতি, বিভিন্ন সামাজিক বিষয়, আৰু লগতে আমাৰ নিজৰ জীৱনৰ সুখ-দুখৰ অলেখ কথা। এতিয়া মানুহ অকলশৰীয়া। ছ'চিয়েল মিডিয়াত "গ্ৰুপ চাট" চালে অনুভৱ হয় যেন সকলোৱে একেলগে কথা পাতিছে। কিন্তু বাস্তৱিক? বাস্তৱত এতিয়া মানুহে ইজনে সিজনৰ লগত সময় কটাব পৰা নাই।

মনত পৰে আমি সৰু হৈ থাকোতে ককা-আইতাই সাধু শুনাইছিল। ৰজা-ৰাণীৰ কাহিনী, যাদুৰ কাহিনী, আনকি নিজৰ জীৱনৰ সৰু সৰু ঘটনাও। কিন্তু আজিৰ শিশু ব্যস্ত মোবাইলৰ কাৰ্টুন অথবা ইনষ্টাগ্ৰামৰ ৰীল চোৱাত। সিঁহতৰ ওচৰত আজি ককা-আইতাকৰ কাহিনীৰ কোনো মূল্য নাই। মোবাইলৰ জগতখনে সিঁহতক এনেদৰে আকৰ্ষণ কৰিছে যে বাস্তৱ জীৱনৰ লগত যোগাযোগ স্থাপনৰ প্ৰতি আগ্ৰহ ক্ৰমান্বয়ে নোহোৱা হৈ পৰিছে।

এই কথা ঠিক যে প্ৰযুক্তিয়ে আমাৰ জীৱন ত্বৰান্বিত কৰিছে। বিশ্বজুৰি এতিয়া প্ৰতিদিনে ২৮০ বিলিয়ন ইমেইল প্ৰেৰণ কৰা হয়। ২০০০ চনত মোবাইল ব্যৱহাৰকাৰীৰ সংখ্যা প্ৰায় ৭০ কোটি আছিল যদিও এতিয়া ই ৮.৫ বিলিয়নলৈ বৃদ্ধি পাইছে। কিন্তু আমাৰ দৰে মানুহবোৰ যেন এতিয়া অতীত আৰু বৰ্তমানৰ মাজত একো একোটা পেণ্ডুলাম। কেতিয়াবা অতীতক ৰোমন্থন কৰি অকলেই হাঁহিছো আৰু কেতিয়াবা থাউকতে দেশ-দুনিয়াৰ খবৰ বুটলি স্বস্তিৰ উশাহ লৈছো। আমাৰ বাবে কোনবোৰ দিন ভাল সেয়া বিচাৰ কৰা সঁচাকৈয়ে যেন বৰ কঠিন।

প্ৰযুক্তিয়ে এফালে আমাৰ দূৰত্বৰ সেতুবন্ধন কৰিছে যদিও আনফালে আমাৰ মনৰ মাজৰ দূৰত্ব বৃদ্ধি কৰিছে। মই বুজি পাওঁ যে নতুন প্ৰজন্মৰ শিশুসকল প্ৰযুক্তিৰ সুফলত অভ্যস্ত। তেওঁলোক আগবাঢ়িছে, তেওঁলোকৰ জীৱন বহুত সহজ হৈ পৰিছে। কিন্তু মাজে মাজে অনুভৱ হয় এই আধুনিকতাৰ ধামখুমীয়াত ক'ৰবাত যেন তেওঁলোকে কিবা এটা হেৰুৱাইছে।

আমি যেতিয়া খেলপথাৰত সমনীয়াৰ সৈতে খেলিছিলো তেতিয়া কোনো প্ৰযুক্তি নাছিল। চুবুৰীৰ সৰু পথাৰখনেই আছিল আমাৰ পৃথিৱী। এতিয়া সেই পথাৰবোৰ ডাঙৰ ডাঙৰ অট্টালিকাৰে ভৰি পৰিছে। আমাৰ সময়ত চুবুৰীৰ মানুহে ফুটবল খেলিবলৈ দল গঠন কৰিছিল। এতিয়াও ল'ৰা-ছোৱালীয়ে খেলে, কিন্তু সেয়া যেন তেওঁলোকৰ বাবে আনন্দ নহয়, বাধ্যবাধকতাহে। এসময়ত প্ৰকৃতিৰ সৈতে ঘনিষ্ঠতা আমাৰ জীৱনৰ অংশ আছিল। এতিয়া যেন প্ৰকৃতি পৰ্দাৰ ভিতৰত আবদ্ধ হৈ আছে।

তথাপিও আশা কৰিছোঁ এদিন নতুন প্ৰজন্মই পুৰণি দিনৰ মূল্য বুজিব। প্ৰযুক্তিয়ে আমাৰ জীৱনটো সহজ কৰি তুলিছে, কিন্তু সেই সহজতাতও আমি আমাৰ শিপাবোৰ মনত ৰখা উচিত। প্ৰযুক্তি সলনি হৈছে, সময় সলনি হৈছে। কিন্তু আমাৰ অনুভৱ, আমাৰ স্মৃতি, আমাৰ সম্পৰ্কবোৰ অক্ষত অৱস্থাত থাকিব লাগিব। এই স্মৃতিবোৰেই আমাৰ জীৱনৰ কাহিনী, যিয়ে আমাক জীয়াই ৰাখে।

আমাৰ সময়ত যি ধৈৰ্য্য আছিল সেয়া আজি গতিত পৰিণত হৈছে। কিন্তু গতিশীল হ'লেও ক্ষন্তেক সময়ৰ বাবে ৰৈ অতীতৰ স্মৃতিবোৰলৈ ঘূৰি চালে জীৱনৰ ৰংবোৰ উজ্জ্বল হৈ পৰিব। স্মৃতিবোৰেই আমাক মনত পেলাই দিয়ে যে আমি এসময়ত জীৱনৰ প্ৰেমত কিদৰে পৰিছিলো।

# মহানগৰীৰ ধৰ্ষণ কাণ্ডৰ অভিযুক্তক গোলকগঞ্জত কৰায়ত্ত

**ই-সংবাদ, গোলকগঞ্জ, ১৪ ডিচেম্বৰঃ** সমগ্ৰ ৰাজ্যত জোকাৰণিৰ সৃষ্টি কৰা মহানগৰীৰ দলবদ্ধ ধৰ্ষণ কাণ্ডৰ পলাতক অভিযুক্ত কৃষ্ণক আজি পুৱতি নিশা ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ বিষখোৱা তৃতীয় খণ্ডৰ নিজগৃহৰ পৰা আটক কৰা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, গুৱাহাটীৰ গড়চুক থানাৰ বৰাগাঁৱৰ নিজৰাপাৰত ৰাস দেখুওৱাৰ চলেৰে এগৰাকী মহিলাক নটা পাষণ্ডই ধৰ্ষণ কৰে। ধৰ্ষণ কৰি পাষণ্ডই ম'বাইলেৰে ভিডিঅ' কৰে। ঘটনাটো ১৭ নৱেম্বৰৰ যদিও ফাদিল হয় বহু পলমকৈ। ১২ ডিচেম্বৰত ম'বাইলে ম'বাইলে অশ্লীল ভিডিঅ' ভাইৰেল হৈ পৰাত গড়চুক থানাত আৰক্ষীয়ে এটা গোচৰ ৰুজু কৰে। আৰক্ষীয়ে তৎপৰতাৰে নজন অভিযুক্তৰ আঠজনক কালি বিয়লিৰ ভিতৰতে আটক কৰে। কিন্তু কৃষ্ণকান্ত বৰ্মন নামৰ অভিযুক্তজনক আটক কৰিব পৰা নাছিল। আজি পুৱতি নিশা গড়চুক থানাৰ আৰক্ষী গোলকগঞ্জ থানাৰ ভাৰত-বাংলাদেশ সীমান্তৰ বিষখোৱা তৃতীয় খণ্ড গাঁৱৰ নিজগৃহৰ পৰা প্ৰয়াত শংকু বৰ্মনৰ পুত্ৰ লম্পট কৃষ্ণকান্ত বৰ্মনক আটক কৰি গড়চুক থানালৈ নিয়ে। অভিযুক্ত বৰ্মনক গ্ৰেপ্তাৰ কৰি গুৱাহাটীলৈ অনাৰ পিছতে গড়চুক আৰক্ষীয়ে জেৰা কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সংবিধান নে মনুস্মৃতি, সংসদত

তথা কংগ্ৰেছ সাংসদ ৰাহুল গান্ধী। ভাৰতীয় সংবিধান গৃহীত হোৱাৰ ৭৫ বৰ্ষপূতি উপলক্ষ্যে অনুষ্ঠিত সংসদীয় বিতৰ্কত শনিবাৰে নিজৰ ভাষণ ৰাখি বিজেপি চৰকাৰক ক্ষুৰধাৰ সমালোচনা কৰে ৰাহুল গান্ধীয়ে। তেওঁ সংবিধান আৰু ধৰ্মগ্ৰন্থ 'মনুস্মৃতি'ৰ মাজৰ পাৰ্থক্যৰ ওপৰত আলোকপাত কৰি, হিন্দুত্ববাদী চিন্তাবিদ সাৱাৰকাৰৰ লিখনিৰ উল্লেখ কৰে। সোঁহাতে সংবিধানৰ প্ৰতিলিপি আৰু বাওঁহাতে মনুস্মৃতিৰ প্ৰতিলিপি লৈ সংসদত থিয় হৈ ৰাহুল গান্ধীয়ে কয়, "সাৱাৰকাৰে কৈছিল, ভাৰতীয় সংবিধানৰ আটাইতকৈ বেয়া কথাটো হ'ল ইয়াত একোৱেই ভাৰতীয় নহয়। মনুস্মৃতি হৈছে আমাৰ ধৰ্মীয় গ্ৰন্থ, যিখন আমাৰ হিন্দু ৰাষ্ট্ৰৰ বাবে আটাইতকৈ শ্ৰদ্ধেয় আৰু প্ৰাচীন কালৰে পৰাই আমাৰ সংস্কৃতি, ৰীতি-নীতি আৰু আচৰণৰ ভেটি হৈ আহিছে। আমাৰ জাতিৰ আধ্যাত্মিক যাত্ৰা এই গ্ৰন্থখনত সন্নিৱিষ্ট কৰা হৈছে। আজি মনুস্মৃতিয়েই হৈছে আইন।" তেওঁ আৰু কয়, "সাৱাৰকাৰে স্পষ্টকৈ লিখিছিল যে আমাৰ সংবিধানত ভাৰতীয়ত্ব নাই আৰু তেওঁ কৈছিল যে ভাৰত চলোৱা কিতাপখন এই ঠাইতে স্থাপন কৰা উচিত। ইয়াক লৈয়ে যুঁজ চলি আহিছে।" সংবিধানৰ প্ৰশংসা কৰি বিজেপি নেতাসকলে সাৱৰকাৰৰ স্মৃতিক অপমান কৰা বুলি অভিযোগ উত্থাপন কৰে ৰাহুল গান্ধীয়ে। তেওঁ কয়, "মই শাসকীয় দলটোক সুধিব বিচাৰো, আপুনি আপোনাৰ নেতাৰ কথা বিশ্বাস কৰেনে? তেওঁৰ কথাক সমৰ্থন কৰেনে? কাৰণ যেতিয়াই আপুনি সংসদত সংবিধান ৰক্ষাৰ কথা কয়, তেতিয়াই সাৱাৰকাৰক তুচ্ছ-তাচ্ছিল্য কৰা হয়, গালি-গালাজ কৰা হয়, সাৱাৰকাৰক অপমান কৰা হয়।" ইয়াৰ উপৰিও মহাভাৰতৰ উদাহৰণ দি ৰাহুলে কয়, "গুৰু দ্ৰোনাচাৰ্যই যেনেকৈ তেওঁৰ শিষ্য একলব্যৰ পৰা আঙুলি কাটি গুৰুদক্ষিণা অসমৰ লগতে জম্মু-কাশ্মীৰ, অসম, লৈছিল, ঠিক তেনেদৰে এই দেশৰ চৰকাৰেও কৃষক, শ্ৰমিক, পিছপৰা জাতিৰ লোকৰ পৰা দক্ষিণা লৈছে। আদানিক সকলো গতাই দি মোদীয়ে উদ্যোগীসকলৰ আঙুলি কাটিছে।" লক্ষণীয় যে, সাৱাৰকাৰ সন্দৰ্ভত সাংসদ ৰাহুল গান্ধীয়ে কৰা মন্তব্যৰ পূৰ্বে সংসদৰ মজিয়াত প্ৰদান কৰা প্ৰথমটো ভাষণৰ জৰিয়তে শুকুৰবাৰে আৰ এছ এছক আক্ৰমণৰ লক্ষ্য কৰি লৈছিল তেওঁৰ ভগ্নী তথা ৱায়ানাদৰ সাংসদ প্ৰিয়ংকা গান্ধীয়েও। প্ৰিয়ংকা গান্ধীয়ে বিজেপিক 'ভাৰতীয় সংবিধান' আৰু 'সংঘৰ বিধান' এক কৰাৰ অভিযোগ উত্থাপন কৰে। ইফালে, সংবিধান সন্দৰ্ভত চলি থকা দুদিনীয়া আলোচনাত শনিবাৰে সামৰণি ভাষণ প্ৰদান কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নিলম্বিত বন বিষয়া আতাউৰ

কৰাৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। বন বিভাগৰ চাকৰিটোক ধন ঘটাৰ আহিলা হিচাপে ব্যৱহাৰ কৰা বুলি অভিযোগ উত্থাপিত হোৱা ৰেঞ্জাৰ আতাউৰ হক ইছলামক নিলম্বন কৰিছে বিভাগটোৱে। ৰেঞ্জাৰ আতাউৰ হক ইছলামৰ বিৰুদ্ধে নানা অভিযোগ উত্থাপন হৈ অহাৰ মাজতে এইবাৰ বক্ৰ পথেৰে খনন মাফিয়াক প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চলত খননৰ অনুমতি দিয়াৰ অভিযোগ উত্থাপন হৈছিল। আতাউৰ হক ইছলামৰ বিৰুদ্ধে বিভাগৰ নীতি-নিৰ্দেশনা নামানি সংৰক্ষিত বনাঞ্চলৰ ভূমি অবৈধভাৱে খনন চলাবলৈ অনুমতি দিয়াৰ লগতে ভুৱা ছীল তৈয়াৰ কৰি অনুমতি পত্ৰত লগোৱাৰ অভিযোগ উঠিছে। জানিব পৰা মতে, কৃষ্ণাইৰ মধ্য আঞ্চলিক বন বিষয়া কাৰ্যালয়ত ডেপুটি ৰেঞ্জাৰ হিচাপে কৰ্মৰত আতাউৰ হক ইছলাম। ইছলামৰ এলেকাত কৃষ্ণাইৰ নদীপৰীয়া আৰু বনভূমিত খনন কৰাৰ বিভাগীয় অনুমতি দিয়া হৈছিল খনন মাফিয়াক। অভিযোগৰ ভিত্তিত বিভাগীয় তদন্ত চলাই বন বিভাগৰ নীতি-নিৰ্দেশনা উলংঘা হোৱাত চাকৰিৰ পৰা নিলম্বন কৰা হয় ইছলামক। ইছলামে যি ঠাইত খননৰ অনুমতি দিছিল সেই ঠাই আছিল প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চল। সংৰক্ষিত বনাঞ্চলৰ ভূমি অবৈধ খনন চলাবলৈ দিয়া অনুমতিৰ বাবে আৰু নিজে ছীল তৈয়াৰ কৰি ব্যৱহাৰ কৰাৰ অভিযোগত চাকৰিৰ পৰা ইছলামক নিলম্বন কৰা হয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আকাশ ফুকনক ভাল আখ্যা

ফুকনৰ অডিঅ' ভাইৰেল হোৱাৰ পিছৰে পৰা বিজেপিৰ ভিতৰচ'ৰাত বাদ-বিবাদ অব্যাহত আছে। এজন জনজাতীয় নেতা তথা জ্যেষ্ঠ মন্ত্ৰীক লৈ কৰা গালি-গালাজে বিজেপি দলৰ ভিতৰচ'ৰাতে ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈ আহিছে। ৰাণোজ পেগুৰ বিৰুদ্ধে আপত্তিজনক ভাষা ব্যৱহাৰ কৰি অনুশাসনমূলক ব্যৱস্থাৰ সন্মুখীন হোৱা আকাশ ফুকনৰ আচৰণক লৈ বিজেপিৰ বহু নেতা নাৰাজ যদিও মুখ খুলি একো ক'বলৈ সাহস গোটাব পৰা নাই। ইতিমধ্যে অধিবক্তা গণেশ পেগুৱে দিছপুৰ আৰক্ষী থানাত ফুকনৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰি মিচিং সম্প্ৰদায়ৰ পক্ষত কাম কৰা বুলি অনা অভিযোগে জনগোষ্ঠীটোক অপমান কৰা বুলি কয়। মন্ত্ৰী ডাঃ ৰণোজ পেগুক কুকুৰে কাইট নোখোৱাকৈ গালি পৰা বিজেপিৰ নেতা আকাশ ফুকনক লৈ পুনৰ প্ৰতিক্ৰিয়া দিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰীয়ে কথাখিনি শুনি বেয়া লাগিছে বুলি কৈ আকাশ ফুকন বেয়া ল'ৰা নহয় বুলি কয় মুখ্যমন্ত্ৰী শৰ্মাই। হিমন্ত বিশ্ব শৰ্মাই কয় যে আকাশ ফুকন সমাজসেৱী ল'ৰা, ভাল ল'ৰা। যদি মানুহৰ মুখখন ভাল নাথাকে মানুহে বেয়া পায়। বিজেপি দলে বিচাৰে মানুহ সংস্কৃতিবান হওক। ডাঙৰক সন্মান কৰক, সৰুক মৰম কৰক। ৰণোজ পেগু আমাৰ এজন জ্যেষ্ঠ মন্ত্ৰী, তেওঁৰ বিষয়ে যিখিনি কৈছে কথাখিনি শুনি বেয়া লাগিছে। আকাশ ফুকনে ৰাজহুৱাকৈ ক্ষমা খুজিব লাগে। ৰণোজ পেগুৰ ঘৰলৈ গৈ ক্ষমা খুজিব লাগে। দলৰ পৰম্পৰা মতেল চলিব লাগে। যিজন ঠিকাদাৰৰ কথা কৈছে। তেওঁৰ লবিৰুদ্ধে বহু কথা প্ৰকাশ পাইছে। সেইটো বিভাগে চাব লাগে। সম্পূৰ্ণ নোহোৱা কাম এটা কেনেকৈ সম্পূৰ্ণ হোৱা দেখুৱালে সেইটো বিভাগে চাব লাগে। কিন্তু মোৰ দলটোৰ মানুহৰ যদি আচাৰ-ব্যৱহাৰ ভাল নাথাকে তেতিয়া দহজনে মোকে প্ৰশ্ন সুধিব। ডেকা বয়সত ভুল হয়। ৰাইজক ক্ষমা খুজি, মানুহক ক্ষমা খুজি নিজকে সংশোধন কৰি মানুহ আগুৱাব লাগে বুলি কয় মুখ্যমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰীয়ে ইয়াৰ পূৰ্বে যিটো টেপ ভাইৰেল হৈছিল সেইটো কিমান সঁচা-মিছা মুখ্যমংন্ত্ৰীয়ে নাজানো বুলি কৈছিল। টেপটোত যিবিলাক শব্দ ব্যৱহাৰ কৰা হৈছে তাৰ দ্বাৰা বিজেপিৰ যিকোনো সদস্যৰ বাবে শোভা নাপায়। যদি টেপটো সঁচা হয় তেন্তে বিজেপিৰ ৰাজ্যিক সভাপতিয়ে কঠোৰ অনুশাসনমূলক ব্যৱস্তা ল'ব আৰু টেপটোত যিবোৰ কথা-বতৰা কোৱা হৈছে সেইবোৰে বিজেপিৰ কোনো সদস্যকে শোভা নাপায় বুলি কৈছিল মুখ্যমন্ত্ৰীয়ে। দেৰগাঁও সমষ্টিৰ বিজেপিৰ টিকটৰ দাবীদাৰ আকাশ ফুকনে এগৰাকী জ্যেষ্ঠ মন্ত্ৰীক গালি দিয়াৰ ঘটনাক লৈ নিতৌ বিতৰ্ক বাঢ়ি গৈ আছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিটিআৰৰ বন বিভাগৰ

ফৰেষ্ট গাৰ্ডৰ নিযুক্তি পৰীক্ষা ২২ ডিচেম্বৰলৈ পিছুৱাই দিয়া হৈছে। আজি এক পত্ৰযোগে এই কথা প্ৰকাশ কৰিছে সংশ্লিষ্ট কৰ্তৃপক্ষই। ইপিনে, পৰীক্ষা অনুষ্ঠিত হ'বলগীয়া দিনটোত যাতে কোনো বিশৃংখল পৰিস্থিতিৰ সৃষ্টি নহয় তাৰ বাবে বড়োলেণ্ড বিশ্ববিদ্যালয়ে আগতীয়া সতৰ্কতা অৱলম্বন কৰিছে। এই অনুযায়ী বিশ্ববিদ্যালয় কৰ্তৃপক্ষই কোকৰাঝাৰ জিলাৰ আৰক্ষী অধীক্ষকলৈ পত্ৰ প্ৰেৰণ কৰি ২২ ডিচেম্বৰত পৰীক্ষা অনুষ্ঠিত হ'বলগীয়া কেন্দ্ৰবোৰত নিৰাপত্তা আৰু তালাচীৰ দৰে প্ৰয়োজনীয় ব্যৱস্থা কৰিবলৈ অনুৰোধ জনাইছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ১ লাখ টকা দাবী কৰি সত্তৰ হাজাৰত

অভিযোগ উত্থাপন কৰি গোচৰ ৰুজু কৰিছিল যদিও ৭০ হাজাৰ টকা লৈ গোচৰ প্ৰত্যাহাৰ কৰাৰ অভিযোগে চাঞ্চল্যৰ সৃষ্টি কৰিছে। তিনি যুৱকে ৰাজহুৱা স্থানত প্ৰহাৰ কৰা বুলি অভিযোগ আনি প্ৰথমে আৰক্ষীৰ কাষ চাপি গোচৰ ৰুজু কৰিছিল যদিও পিছত ৭০ হাজাৰ টকা লৈ মহিলাই গোচৰ প্ৰত্যাহাৰৰ অভিযোগ উঠিছে। প্ৰহৃত মহিলাই টকা লৈ তিনি যুৱকৰ দোষ খণ্ডন কৰি দিয়া বুলি উত্থাপিত অভিযোগক সহজে ল'ব পৰা নাই একাংশ লোকে। গোচৰ প্ৰত্যাহাৰ কৰা বুলি অভিযোগ উঠা মহিলাগৰাকী হৈছে বাসৰী দাস। খানাপাৰাত চলি থকা ছাৰছ মেলাৰ বাহিৰত দোকান দিয়া বাসৰী দাসে তিনি যুৱকৰ বিৰুদ্ধে আনিছিল শাৰীৰিক নিৰ্যাতন চলোৱাৰ অভিযোগ। অভিযোগৰ ভিত্তিত আৰক্ষীয়ে গোচৰ ৰুজু কৰি তিনি যুৱকক আটক কৰিছিল যদিও ৭০ হাজাৰ টকা লৈ আপোচ মীমাংসা কৰাৰ অভিযোগ উঠিছে। জানিব পৰা মতে, খানাপাৰাত চলি থকা ছাৰছ মেলাৰ মেলাৰ বাহিৰত পদপথৰ দোকান দিছিল বাসৰী দাসে। ১১ ডিচেম্বৰত বীৰ লাচিত সেনাৰ সৈতে জড়িত তিনি যুৱকে এএছ-০১-এফএন-১৯৭৪ নম্বৰৰ চাৰিচকীয়া বাহনেৰে বাসৰী দাসৰ পদপথৰ দোকানখনত খুন্দা মাৰিছিল। তাৰ পিছতে বাসৰী দাস আৰু যুৱকেইজন তৰ্কা-তৰ্কিত লিপ্ত হয়। পিছত বাসৰী দাসে তেওঁক আৰু তেওঁৰ দুই কৰ্মচাৰীক প্ৰহাৰ কৰাৰ অভিযোগ আনি বশিষ্ঠ আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছিল। বশিষ্ঠ আৰক্ষীয়ে এজাহাৰৰ ভিত্তিত তিনি যুৱকক আটক কৰিছিল যদিও বাসৰীয়ে ৭০ হাজাৰ টকা লৈ গোচৰ মীমাংসা কৰাৰ অভিযোগ উত্থাপন হৈছে। মহিলাগৰাকীৰ যুৱককেইজনৰ সৈতে আপোচ মীমাংসা কৰাৰ সময়ত কথা পতাৰ এটা ভিডিঅ' ভাইৰেল হৈছে। ভাইৰেল হোৱা ভিডিঅ'টোত যুৱকেইজনে গাড়ীখনৰ (ডেমেজ) ক্ষতি হোৱাৰ অভিযোগ আনি বাসৰীৰ পৰা ক্ষতিপূৰণ দাবী কৰে। তেতিয়াই মহিলাই মুখত হাত দি কয় যে মোৰ এইটোৰ ডেমেজটো। মোৰ ছেলফ ৰেচপেক্ট, মোৰ গাত যে হাত দিলে। তেনে সময়তে এজন যুৱকে কয় তেনেকৈ নক'ব। তেতিয়া যুৱকেইজনে ক'বলৈ আৰম্ভ কৰে যে আপুনি একলাখ টকা বিচাৰিছে। এক লাখ টকাটো বহুত বেছি। তেতিয়া বাসৰীয়ে কয় যে এয়া হৈছে নিগেচুৰেচন কৰিবলৈ সাজু। তেতিয়া যুৱককেইজনৰ ফালৰ পৰা ৪০ হাজাৰ দিম বুলি কয়। তেনে সময়তে বিকাশ দা বুলি কৈ বাসৰীয়ে কয় বিকাশ দা আপোনাক মই কলোৱেই। তেতিয়া যুৱতীয়ে কয় যে আপোনালোকে ৭০ হাজাৰ কৰি দিয়ক কেচটো ৰাফাদফা কৰি দিম। যদি নোৱাৰে তেতিয়া ঠিক আছে। মই ইতিমধ্যে ছাৰৰ লগত কথা পাতিলোৱেই। তেতিয়া যুৱকসকলে কয় যে আমি সংগঠনৰ, তেনেকৈ পইছা নাথাকে নহয়। লাচিত দিৱসৰ ধাৰ ডেৰলাখ টকা থকা বুলি কয় যুৱককেইজনে। লগতে কয় যে ল'ৰা কেইজনে ভুল কৰিছে। ইতিমধ্যে যুৱককেইজন আৰু বাসৰীয়ে বাৰ্তালাপ কৰাৰ সময়তে কোনোবাই গোপনে ৰেকৰ্ড কৰা ভিডিঅ'টোৱে চাঞ্চল্যৰ সৃষ্টি কৰিছে। কিন্তু ভিডিঅ' প্ৰত্যক্ষ কৰি বুজিব পাৰি যে বাসৰীয়ে ধন লৈ গোচৰ প্ৰত্যাহাৰ কৰিবলৈ সাজু আছিল। কিন্তু পুৱাই প্ৰথমে সাংবাদিকৰ কেমেৰাৰ সন্মুখত ঘটনাক লৈ দিয়া মন্তব্যত বাসৰী দাসে ন্যায়ৰ বাবে যুঁজ দি যোৱাৰ সংকল্প লৈছিল। বাসৰীয়ে উল্লেখ কৰা মতে, এজাহাৰৰ ভিত্তিত গোচৰটো পঞ্জীয়ন হৈছিল। কিন্তু আৰক্ষীয়ে গোচৰ পঞ্জীয়ন কৰাৰ পিছত দিবলগীয়া কপিটো দিয়া নাছিল। স্পষ্টকৈ কোৱা হৈছিল যে গোচৰটো আদালতলৈ যাব। কিন্তু বাসৰীয়ে আৰু এবাৰ কৈছিল যে তেওঁলোকে যদি নিজকে দোষী বুলি ভাবে তেন্তে ক্ষমা বিচাৰক। তেওঁলোকক ক্ষমা কৰিবলৈ সাজু হৈছিলো। কিন্তু পিছত এই ভিডিঅ'টো ভাইৰেল হোৱাত জোলোঙাৰ মেকুৰী ওলাই পৰে। প্ৰশ্ন হৈছে যদি ন্যায় দাবী কৰিছিল তেন্তে টকা লৈ গোচৰ প্ৰত্যাহাৰৰ চিন্তা কৰা হ'ল কিয়?

ভিডিঅ' প্ৰত্যক্ষ কৰি এনে লাগিছে যেন জানি বুজি টকাৰ বাবে গোচৰ দিয়া হৈছিল আৰু টকা পোৱাৰ পিছত গোচৰ প্ৰত্যাহাৰ কৰিবলৈ যো-জা চলোৱা হৈছে। পঞ্জীয়ন হোৱা গোচৰটোৰ আপোচ মীমাংসা কৰা হ'ল নেকি সেই কথা জানিব পৰা হোৱা নাই। ইপিনে বশিষ্ঠ আৰক্ষীয়ে লাচিত সেনাৰ তিনি নেতাক ১৩ ডিচেম্বৰত মুকলি কৰি দিছে বুলি জানিব পৰা গৈছে। ১১ ডিচেম্বৰৰ নিশা বীৰ লাচিত সেনাৰ নেতাই মহিলাৰ গাত হাত দিয়াৰ অভিযোগ উঠিছিল। মতিউৰ অসম, বিক্ৰান্ত কলিতা অসম আৰু মইনা অসমে পথ দুৰ্ঘটনাক কেন্দ্ৰ কৰি বাসৰী দাস নামৰ মহিলা আৰু দুই যুৱকক শাৰীৰিকভাৱে অপদস্থ কৰাৰ অভিযোগ উঠিছিল। বাসৰী দাসে গোচৰ ৰুজু কৰাত লাচিত সেনাৰ নেতা মতিউৰ, বিক্ৰান্ত আৰু মইনাক আটকো কৰা হৈছিল। জানিব পৰা মতে, খানাপাৰাত চলি থকা ছাৰছ মেলাৰ সময়তে মেলাৰ বাহিৰত পদপথৰ দোকানত খুন্দা মাৰে এএছ-০১-এফএন-১৯৭৪ নম্বৰৰ চাৰিচকীয়া বাহনে। গাড়ীখনৰ ভিতৰত আছিল লাচিত সেনাৰ তিনি নেতা। পদপথৰ দোকানত খুন্দামাৰি দোকানীৰ মালিকনী বাসৰী দাসৰ সৈতে তৰ্কা-তৰ্কিত লিপ্ত হয় নেতাকেইজন। ইমানতে ক্ষান্ত নাথাকি দোকানৰ দুই কৰ্মচাৰী ছাজ্জন কুমাৰ আৰু অংকুৰ ডেকাক গুৰুলা গুৰুলকৈ প্ৰহাৰ কৰাৰ অভিযোগ উঠে। দোকানৰ মালিকনী বাসৰী দাসকো শাৰীৰিকভাৱে অপদস্থ কৰাৰ অভিযোগআনি আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছিল। সমগ্ৰ দৃশ্য দোকানৰ মালিকনীয়ে বন্দী কৰি আৰক্ষীক দিয়াত আৰক্ষীয়ে আটক কৰিছিল। তিনি নেতা সেই সময়ত সুৰাসক্ত অৱস্থাত আছিল বুলিও অভিযোগ আনিছিল বাসৰী দাসে। বাসৰী দাসে আপোচ মীমাংসাৰ বাবে ১ লাখ টকা দাবী কৰিছিল যদিও ৭০ হাজাৰ টকা লৈ গোচৰ প্ৰত্যাহাৰ কৰাৰ অভিযোগ উঠিছে। সমগ্ৰ ঘটনাক লৈ এতিয়া প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

# জাগীৰোডৰ ভেৰভেৰীত মৰিগাঁও জিলা বৈদিক বৈষ্ণৱ মহাসভাৰ অধিৱেশনৰ সামৰণি

## যুৱ মহাসভাৰ ৫১জনীয়া এখন পূৰ্ণাংগ সমিতি গঠন

**ই-সংবাদ, জাগীৰোড, ১৪ ডিচেম্বৰঃ** মৰিগাঁও জিলা বৈদিক বৈষ্ণৱ মহাসভাৰ চতুৰ্দশ দ্বি-বাৰ্ষিক অধিৱেশনখনি শুকুৰবাৰে দিনজোৰা কাৰ্যসূচীৰে জাগীৰোডৰ ভেৰভেৰী হৰিমন্দিৰত অনুষ্ঠিত হয়। ভেৰভেৰী গাঁৱৰ ৰাইজৰ আতিথ্যত অনুষ্ঠিত হোৱা উক্ত অধিৱেশনখনিৰ পুৱা বন্তি প্ৰজ্বলন কৰি কাৰ্যসূচীৰ শুভাৰম্ভ কৰে গাঁৱৰ জ্যেষ্ঠ পূজাৰী যতীন(পুতুল)শইকীয়াই। তাৰ পিছতে ধৰ্মধ্বজা উত্তোলন কৰে মৰিগাঁও জিলা বৈদিক বৈষ্ণৱ মহাসভাৰ সভাপতি ৰুদ্ৰকান্ত ডেকাই আৰু স্মৃতি তৰ্পণ কৰে মৰিগাঁও জিলা পশ্চিম অঞ্চলিকবৈদিক বৈষ্ণৱ মহাসভাৰ সভাপতি কমলেশ্বৰ ডেকাই। আনহাতে, অনুষ্ঠানৰ শৰাই উছৰ্গা কৰে ল মাটি সত্ৰ বঘৰাৰ সত্ৰাধিকাৰ বনমালী গোস্বামীয়ে আৰু ভাগৱত পাঠ কৰে মহাসভাৰ আজীৱন সদস্য ভদ্ৰ ডেকাই। ইয়াৰ পিছতে অনুষ্ঠিত হয় প্ৰতিনিধি সভা আৰু বিষয় বাছনি সভা। উক্ত সভাতে যুৱ মহাসভা আৰু মহিলা সভা হিচাপে পৃথককৈ অনুষ্ঠিত কৰে দুখন সভা। যুৱ মহাসভাত জিলা সমিতিৰ সভাপতি হিচাপে বীৰেণ হাজৰিকা আৰু সম্পাদক হিচাপে অনন্ত ৰাম বৰাক সৰ্বসন্মতিমৰ্মে নিৰ্বাচিত কৰি ৫১জনীয়া এখন পূৰ্ণাংগ সমিতি গঠন কৰে আৰু মহিলা সভাত সভানেত্ৰী হিচাপে বন্তি ডেকাক আৰু সম্পাদিকা হিচাপে নিৰু শইকীয়াক নিৰ্বাচিত কৰে। জিলাখনৰ ভিন্ন প্ৰান্তৰ পৰা উপস্থিত থকা ভক্তসমাজে হৰি নামেৰে মুখৰিত হোৱা এই অনুষ্ঠানৰ অভ্যৰ্থনা সমিতিৰ সভাপতি হলিৰাম শইকীয়া, উপ-সভাপতি বীৰেন হাজৰিকা, সম্পাদক যতীন শইকীয়া আৰু সহঃ সম্পাদক দিপুমণি শইকীয়াৰ লগতে ভেৰভেৰী গাঁৱৰ ৰাইজৰ আতিথ্যত সন্তুষ্টি পোৱা বুলি জনায়।



ডুমডুমাৰ ৰূপাইত বিধায়ক প্ৰতিভা সন্ধানী পৰীক্ষাৰ পুৰস্কাৰ প্ৰদানৰ এটি দৃশ্য, ফটোঃ ই-সংবাদ, ডুমডুমা

## দশমৰ ভূগোলৰ পৰীক্ষাত আহিল পাঠ্যক্ৰমৰ বাহিৰৰ বহু প্ৰশ্ন

# মাজুলীত প্ৰশ্নকাকত প্ৰস্তুতত বিসংগতি!

**ই-সংবাদ, মাজুলী, ১৪ ডিচেম্বৰঃ** মাজুলী জিলা অধিবিদ্যা পৰিষদৰ অধীনত চলি থকা নৱম আৰু দশম শ্ৰেণীৰ দ্বিতীয় একক পৰীক্ষাৰ শনিবাৰে দশম শ্ৰেণীৰ ভূগোল বিষয়ৰ পৰীক্ষাৰ প্ৰশ্নকাকতত বিসংগতিৰ অভিযোগ ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকৰ। দশম শ্ৰেণীৰ ভূগোল বিষয়ৰ পৰীক্ষা দিনৰ ১২ বজাৰ পৰা বিয়লি ২ বজালৈ মুঠ ৫০ নম্বৰৰ পৰীক্ষা অনুষ্ঠিত হৈছিল। সেই দ্বিতীয় শেষাংশ ৯ পৃষ্ঠাত

# ৩৭২ গৰাকী অ'এনজিচিৰ লঘু বাহন চালকৰ মাজত হাহাকাৰ

## ছাত্ৰ নেতাৰ বিৰুদ্ধে শিৱসাগৰত সংবাদমেল

**ই-সংবাদ, শিৱসাগৰ, ১৪ ডিচেম্বৰঃ** শিৱসাগৰ জিলাৰ ৩৭২ গৰাকী অস্থায়ী অ'এনজিচিৰ লঘু যানবাহন চালকৰ মাজত লাগিছে হাহাকাৰ। বিগত ৮-১০ বছৰ ধৰি অ'এনজিচিৰ লঘু যানবাহন চলাই পৰিয়াল চলাই অহা ৩৭২ গৰাকী চালক পুনৰ নিবনুৱা হোৱাৰ উপক্ৰম হোৱাত দিকবিদিক হেৰুৱাই পেলাইছে। আজি শিৱসাগৰত এক সংবাদমেলযোগে এই কথা সদৰী কৰিছে অ'এনজিচিৰ মটৰ ৱৰ্কাছ ইউনিয়নে। ইউনিয়নে সদৰী কৰা অনুসৰি অ'এনজিচিৰ লঘু যানবাহনৰ নিবিদা যোৱা জুলাই মাহত অনুষ্ঠিত শেষাংশ ৯ পৃষ্ঠাত

# দৰঙৰ ১০ গাঁৱৰ কাহিনীৰে সফল সামৰণি মঙলদৈ গ্ৰন্থমেলাৰ

**ই-সংবাদ, মঙলদৈ, ১৪ ডিচেম্বৰঃ** দৰঙৰ ১০খন ঐতিহাসিক গাঁৱৰ, ইতিহাস, কৃষ্টি-সংস্কৃতি, ভৌগলিক অৱস্থিতি, লোকগাঁথা আদিৰ মনোৰম কাহিনীৰে শনিবাৰে সাদিনীয়া মঙলদৈ গ্ৰন্থমেলা-২০২৪ৰ সামৰণি পৰে। গাঁৱৰ এনে জীৱন্ত আৰু হৃদয়স্পৰ্শী কাহিনীৰ মাজেৰে প্ৰত্যেকগৰাকী শেষাংশ ৯ পৃষ্ঠাত



জুৰি ৰাজখোৱা গগৈৰ কাব্যগ্ৰন্থ 'পকৰাই পোৱা কথাবোৰ' উন্মোচনৰ মুহূৰ্ত

# বিধায়ক প্ৰতিভা সন্ধানী পৰীক্ষাৰ পুৰস্কাৰ প্ৰদান

# বিফলতাই আমাক শিকায়, ক'লে মন্ত্ৰী ৰূপেশ গোৱালাই

**ই-সংবাদ, ডুমডুমা, ১৪ ডিচেম্বৰঃ** সকলোৰে জীৱনত কিবা নহয় কিবা কাহিনী থাকে আৰু সেই কাহিনীবোৰৰ মাজেদিয়েই মানুহে আগুৱাই গৈ নিৰ্দিষ্ট স্থান তথা লক্ষ্যত উপনীত হয়।- এই মন্তব্য ৮২ নং ডুমডুমা বিধানসভা সমষ্টিৰ শেষাংশ ১০ পৃষ্ঠাত

# প্ৰশান্ত ফুকনক ডিব্ৰুগড়ত সম্বৰ্ধনা

**ই-সংবাদ, ডিব্ৰুগড়, ১৪ ডিচেম্বৰঃ** অসম মন্ত্ৰীসভাত নতুনকৈ শক্তি, দক্ষতা বিকাশ, চিকিৎসা শিক্ষা বিভাগৰ মন্ত্ৰিত্ব লাভ কৰা বিধায়ক প্ৰশান্ত ফুকনক ১৩ ডিচেম্বৰত ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ তৰফৰ পৰা উষ্ম সম্বৰ্ধনা জ্ঞাপন কৰে। 'খোজ' শেষাংশ ১১ পৃষ্ঠাত

# বেবেজীয়াত গৰুভৰ্তি বাহন জব্দ

**ই-সংবাদ, বেবেজীয়া, ১৪ ডিচেম্বৰঃ** ৰাজ্যত শেহতীয়াভাৱে গো-মাংস নিষিদ্ধ কৰাৰ পিছতেই সৰ্বত্ৰে প্ৰতিক্ৰিয়া অব্যাহত থকাৰ সময়তে নগাঁও জিলাৰ শেষাংশ ৯ পৃষ্ঠাত

## খাৰুপেটীয়াত মহিলা কংগ্ৰেছৰ বিশেষ কৰ্মী সভা

# দলগাঁও সমষ্টি পুনৰ দখলৰ হুংকাৰ মীৰা বৰঠাকুৰৰ

**ই-সংবাদ, খাৰুপেটীয়া, ১৪ ডিচেম্বৰঃ** খাৰুপেটীয়াৰ জংগলপাৰাত মহিলা কংগ্ৰেছৰ এখন কৰ্মী সভা আজি অনুষ্ঠিত হয়। দৰং জিলাৰ দলগাঁও সমষ্টিৰ অন্তৰ্গত খাৰুপেটীয়াৰ জংগলপাৰাত হাজাৰ হাজাৰ মহিলা আৰু পুৰুষৰ উপস্থিতিত অনুষ্ঠিত সদস্যা ভৰ্তি আৰু কৰ্মী শেষাংশ ১১ পৃষ্ঠাত

# ৰঙীণ পৃথিৱী চাব খোজা চতেমাৰীৰ দীপৰঞ্জনক লাগে সহায়

**ই-সংবাদ, মুকালমুৱা, ১৪ ডিচেম্বৰঃ** ১২ বছৰ পূৰ্বৰ কথা। সেই বয়সখিনি আছিল দীপৰঞ্জন তালুকদাৰৰ পখিলা খেদাৰ বয়স। সমনীয়াৰ সৈতে ৰং-ধেমালি কৰাৰ সময়। তেতিয়া তেওঁ সপ্তম শ্ৰেণীত অধ্যয়নৰত আছিল। হাঁহি-ধেমালি কৰি চৌপাশৰ ৰঙীণ পৃথিৱীখন চাই নিজেও ৰঙীণ সপোনত বিভোৰ হৈ পৰিছিল। কিন্তু বিধিৰ কি বিপাক। এসময়ত হাঁহি-স্ফূৰ্তি কৰি ভালপোৱা সেই ল'ৰাজনে আজি আনৰ সহায় অবিহনে



ঘৰৰ পৰা পদূলিলৈ ওলাই আহিব নোৱাৰে। এটা দুৰ্ঘটনাত তেওঁৰ জীৱন পংগু হৈ পৰিল। পথ দুৰ্ঘটনাত পতিত হৈ দৃষ্টি শক্তি হেৰুৱাই পেলোৱাত হাহাকাৰ কৰি সময় পাৰ কৰিবলগীয়া হৈছে দীপৰঞ্জনে। শেষাংশ ১০ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# দক্ষিণ কোৰিয়াৰ ৰাষ্ট্ৰপতি অপসাৰিত

দক্ষিণ কোৰিয়াৰ ৰাষ্ট্ৰপতি ইউন চুক-য়েওলক। শনিবাৰে ৰাষ্ট্ৰীয় বিধানসভাত ২০৪ জন সংসদৰ সদস্যই অভিযোগনামা প্ৰস্তাৱৰ সপক্ষে ভোটদান কৰি মুঠ ভোটৰ সংখ্যাগৰিষ্ঠতা লাভ কৰে। উল্লেখ্য যে, বিগত কেইসপ্তাহমানৰ পৰা বিৰোধী সমৰ্থিত নেতা আৰু ৰাজনৈতিক বিশ্লেষকসকলে ৰাষ্ট্ৰপতি ইউন চুক-য়েওলক সামৰিক আইন জাপি দিয়াৰ বাবে কঠোৰ সমালোচনা কৰি আহিছে। সামৰিক আইন ঘোষণাৰ পিছৰে পৰা তেওঁৰ বিৰুদ্ধে পদৰ পৰা বৰ্খাস্ত কৰাৰ দাবী উত্থাপন হৈছিল। যদিও বিগত সপ্তাহত সংসদত অনুষ্ঠিত এক ভোটত বিৰোধীয়ে প্ৰয়োজনীয় ভোট লাভ কৰাত ব্যৰ্থ হৈছিল, তথাপিও তেওঁলোকে পুনৰ অভিযোগনামা দাখিল কৰাৰ কথা ঘোষণা কৰিছিল। কিন্তু শনিবাৰৰ ভোটদানত সংসদৰ ৩০০ সদস্যৰ ভিতৰত ২০৪ জন সদস্যই এই প্ৰস্তাৱৰ সপক্ষে ভোটদান কৰাৰ বিপৰীতে ৮৫ জনেহে বিপক্ষে ভোটদান কৰে। বাকী ১১ জন সংসদ সদস্য ভোটদানৰ সময়ত অনুপস্থিত আৰু ৮ জনৰ ভোট বাতিল কৰা হয়। লক্ষণীয় যে, ৰাষ্ট্ৰপতি ইউন চুক-য়েওলৰ পিপলছ পাৱাৰ পাৰ্টিৰ বহু সদস্যইও তেওঁৰ বিৰুদ্ধে ভোটদান কৰি তেওঁৰ ৰাজনৈতিক স্থিতি আৰু অধিক দুৰ্বল কৰি তোলে। মন কৰিবলগীয়া যে, এতিয়া দক্ষিণ কোৰিয়াৰ সাংবিধানিক আদালতে ৰাষ্ট্ৰপতি ইউন চুক-য়েওলৰ ভৱিষ্যতৰ সিদ্ধান্ত ল'ব। অভিযোগনামা প্ৰস্তাৱ গৃহীত হ'ব নে নহয় সেই সন্দৰ্ভত চূড়ান্ত সিদ্ধান্ত ল'ব আদালতে। এতিয়াৰ বাবে প্ৰধানমন্ত্ৰী হান ডাক-ছুৱে ভাৰপ্ৰাপ্ত ৰাষ্ট্ৰপতিৰ দায়িত্ব গ্ৰহণ কৰিছে। প্ৰণিধানযোগ্য যে, ৩ ডিচেম্বৰত দেশখনক দিয়া ভাষণত ৰাষ্ট্ৰপতি ইউন চুক-য়েওলে উত্তৰ কোৰিয়াৰ পৰা অহা সম্ভাব্য ভাবুকিৰ প্ৰতিহত কৰিবলৈ দেশখনৰ ভিতৰতে সামৰিক আইন জাপি দিব বুলি ঘোষণা কৰিছিল। তেওঁ কয় যে বিৰোধীয়ে উত্তৰ কোৰিয়াৰ কিম জং উনৰ সহায়ত ক্ষমতা দখল কৰিব বিচাৰে, গতিকে এই আইন জাৰি কৰা হৈছে। ইয়াৰ জৰিয়তে তেওঁ ৰাজনৈতিক কাম-কাজত কঠোৰ বাধা আৰোপ কৰিব বিচাৰিছিল। কিন্তু য়েওলৰ এই সিদ্ধান্তৰ পিছতে সমগ্ৰ দক্ষিণ কোৰিয়াত ব্যাপক প্ৰতিবাদ সাব্যস্ত হয়। বিৰোধী দলৰ লগতে শাসকীয় দলৰ বহু সদস্যইও এই সামৰিক আইনখনৰ বিৰোধিতা কৰে। বিৰোধী সংসদৰ সদস্যসকলে ৰাষ্ট্ৰীয় সংসদ ভৱনত প্ৰতিবাদ আৰম্ভ কৰে আৰু দ্ৰুতগতিত এই প্ৰতিবাদে হিংসাত্মক ৰূপ লয়। প্ৰতিবাদকাৰী আৰু আৰক্ষীৰ মাজত সংঘৰ্ষৰ পিছত ৰাষ্ট্ৰপতি য়েওলে সামৰিক আইন প্ৰত্যাহাৰ কৰিবলৈ বাধ্য হয়। কিন্তু সামৰিক আইন প্ৰত্যাহাৰৰ পিছতো ৰাষ্ট্ৰপতি য়েওলৰ বিৰুদ্ধে জনতাৰ ক্ষোভ বন্ধ নহ'ল। শনিবাৰে সংসদত ভোটদানৰ সময়ত হাজাৰ হাজাৰ লোকে ৰাষ্ট্ৰপতিৰ পদত্যাগৰ দাবী জনায়।

প্ৰথম পৃষ্ঠাৰ পৰা...

# কৃষকৰ আন্দোলনক লৈ পুনৰ উত্তপ্ত

দাবীৰে কৃষকৰ 'দিল্লী চলো' আন্দোলনৰ মাজতে শম্ভু সীমান্তত সৃষ্টি হয় কৃষক-আৰক্ষীৰ তীব্ৰ সংঘাত। শনিবাৰে পুৱা ১০১ জন কৃষকে শান্তিপূৰ্ণ সমদল কৰি দিল্লী অভিমুখে ৰাওনা হয়। কিন্তু শম্ভু সীমান্ত পোৱাৰ পিছত আৰক্ষীয়ে তেওঁলোকক বাধা দিয়ে। কৃষকসকলে বেৰিকেড ভাঙিবলৈ চেষ্টা কৰাত আৰক্ষীৰ সৈতে সংঘৰ্ষত লিপ্ত হয়। আৰক্ষীয়ে জলকামান আৰু কন্দুৱা গেছ ব্যৱহাৰ কৰি প্ৰতিবাদকাৰীক ভেটা দিবলৈ চেষ্টা কৰে। এই সংঘৰ্ষত ১৭ জন কৃষক আহত হয়। ইফালে, এই ঘটনাৰ পিছত কৃষকসকলে 'দিল্লী চলো' অভিযান স্থগিত ৰাখে। অৱশ্যে ভৱিষ্যতে আন্দোলনটো কেনেদৰে আগুৱাই নিব পাৰি সেই বিষয়ে নিজৰ মাজতে আলোচনা কৰিব বুলি জানিবলৈ দিয়ে। কৃষক নেতা তেজবীৰ সিঙে কয় যে আজিৰ কাৰ্যসূচী পিছুৱাই দিয়া হৈছে। কাৰণ হাৰিয়ানা আৰক্ষীৰ কন্দুৱা গেছ আক্ৰমণত ১৭ জন কৃষক আহত হৈছে। তেওঁ কয়, "আমি অতি সোনকালে পৰৱৰ্তী কাৰ্যসূচী ঘোষণা কৰিম।" উল্লেখ্য যে, পঞ্জাৱ আৰু হাৰিয়ানাৰ কৃষক সংগঠনসমূহে শস্যৰ নূন্যতম সমৰ্থন মূল্য, কৃষি ঋণ ৰেহাই, পেঞ্চন, বিদ্যুতৰ বিল বৃদ্ধি নকৰাকে ধৰি কেইবাটাও দাবীৰ বাবে দীৰ্ঘদিন ধৰি প্ৰতিবাদ সাব্যস্ত কৰি আহিছে। ১৩ ফেব্ৰুৱাৰীৰ পৰা শম্ভু আৰু খানৌৰী সীমান্তত কৃষকসকলে অৱস্থান গ্ৰহণ কৰিছে। তাৰ পিছৰে পৰা তেওঁলোকে কেইবাবাৰো 'দিল্লী চলো' কাৰ্যসূচী অনুষ্ঠিত কৰি আহিছে যদিও আৰক্ষীয়ে বাৰে বাৰে তেওঁলোকক দিল্লীত প্ৰৱেশ কৰাত বাধা দি আহিছে। শম্ভু সীমান্তত আৰক্ষীয়ে ১৬৩ ধাৰা আৰোপ কৰাৰ লগতে ইন্টাৰনেট সেৱা বন্ধ কৰি দিয়াৰ ফলত কৃষকৰ আন্দোলন কঠিন হৈ পৰে। ইফালে কৃষকৰ ওপৰত আৰক্ষীৰ এই আক্ৰমণক তীব্ৰ ভাষাৰে গৰিহণা দিয়ে কৃষক নেতা সৰৱান সিং পান্ধেৰে। তেওঁ কয় যে কৃষকৰ শান্তিপূৰ্ণ আন্দোলন আৰক্ষীৰ বৰ্বৰতাৰে ৰোধ কৰিব নোৱাৰি। তেওঁ কয়, "আমি আমাৰ আন্দোলন অব্যাহত ৰাখিম।"

প্ৰথম পৃষ্ঠাৰ পৰা...

# অৰুণাচলত অঘটন, নিহত ৩ শিক্ষাৰ্থী

শনিবাৰে পুৱা ছেইন্ট আলফনছা স্কুলত এটা ওপৰৰ পানীৰ টেংকি ভাঙি পৰে। এই ঘটনাৰ ফলত তিনিজন ছাত্ৰৰ থিতাতে মৃত্যু ঘটাৰ লগতে আন তিনিজন ছাত্ৰ গুৰুতৰভাৱে আহত হৈ চিকিৎসাধীন হৈ আছে। সংবাদ সংস্থা পিটিআইৰ মতে, সেই সময়ত নাহৰলগুনৰ মডেল গাঁওত অৱস্থিত ছেইন্ট আলফনছা স্কুলৰ একাংশ ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়ৰ প্ৰাঙ্গণত খেলি আছিল। হঠাতে সেই অঞ্চলৰ পানীৰ টেংকিটো খহি পৰি ছাত্ৰ-ছাত্ৰীসকলৰ মূৰৰ ওপৰত পৰে। এই দুৰ্ঘটনাত আহত ছাত্ৰ-ছাত্ৰীসকলক লগে লগে স্থানীয় চিকিৎসালয়লৈ নিয়া হয় যদিও ইতিমধ্যে মৃত্যু ঘটে তিনিজনৰ। ইফালে আহত ছাত্ৰ তিনিজনৰ অৱস্থাও বৰ্তমান সংকটজনক বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে জনোৱা মতে, নিহত ছাত্ৰ তিনিজন বিদ্যালয়খনৰ নৱম শ্ৰেণীত অধ্যয়নৰত আছিল। আহত ছাত্ৰ-ছাত্ৰীৰ ভিতৰত দুজন ছাত্ৰ ষষ্ঠ আৰু এজন সপ্তম শ্ৰেণীত পঢ়ি আছে। নাহৰলগুন আৰক্ষী অধীক্ষক মিহিন গাম্বোৱে কয় যে প্ৰাৰম্ভিক তদন্তৰ পৰা দেখা গৈছে যে টেংকিটোত অতিৰিক্ত পানী আছিল, যাৰ বাবে টেংকটো ভাঙি যায়। ঘটনাৰ পিছতে বিদ্যালয়খনৰ অধ্যক্ষ, স্বত্বাধিকাৰ আৰু চাৰিজন কৰ্মচাৰীক গ্ৰেপ্তাৰ কৰা হয়। ছাত্ৰকেইজনৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হৈছে আৰু দুৰ্ঘটনাৰ তদন্ত অব্যাহত আছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# শিৱসাগৰৰ পৰা পুনৰ নিৰ্বাচন খেলিব

নিৰ্বাচনক লৈ ৰাজ্যৰ বিভিন্ন প্ৰান্তত কৰ্মী সভা অনুষ্ঠিত কৰি অহা ৰাইজৰ দলে গোলাঘাটত প্ৰথমবাৰ কৰ্মীসভা অনুষ্ঠিত কৰে। বিধানসভা নিৰ্বাচনত কিংমেকাৰ হোৱাৰ হুংকাৰ দি অহা অখিল গগৈৰ উপস্থিতিত অনুষ্ঠিত গোলাঘাটৰ কৰ্মীসভাত বহু সংখ্যক লোকে ৰাইজৰ দলত যোগদান কৰে। ৰাইজৰ দলে যাতে গোলাঘাট জিলাৰ ৫টা সমষ্টিতে প্ৰতিদ্বন্দ্বিতা কৰিব পাৰে তাৰ বাবে ৰাজনৈতিক আৰু সাংগঠনিক তৎপৰতা গোলাঘাট জিলাত আৰম্ভ কৰা বুলি কয় গগৈয়ে। গগৈয়ে কৰ্মী সভাৰ পৰা পুনৰ কংগ্ৰেছক নীতি শিক্ষা দিয়া পৰিলক্ষিত হয়। উপ-নিৰ্বাচনৰ পৰা কংগ্ৰেছক শিক্ষা লোৱাৰ আহ্বান জনাই পঞ্চায়ত নিৰ্বাচনত সকলো বিৰোধীক একত্ৰিত হৈ নিৰ্বাচনত অৱতীৰ্ণ হ'বলৈ আহ্বান জনাইছে। পঞ্চায়ত নিৰ্বাচন যদি বিৰোধীয়ে একত্ৰিত হৈ খেলে তেন্তে ২০২৬ চনৰ বিধানসভাৰ পূৰ্বে তৃণমূল পৰ্যায়ত বিৰোধী ঐক্য মজবুত হোৱাৰ কথা উল্লেখ কৰিছে গগৈয়ে। বিজেপিক পৰাজিত কৰিব খোজা দলসমূহক এক হোৱাৰ তেওঁ আহ্বান জনাইছে। অসমৰ সকলো মহিলাকে অৰুণোদয় আঁচনিৰ অন্তৰ্ভুক্ত কৰাৰো দাবী জনায়। আজি গোলাঘাট জিলাত বিধায়ক গগৈয়ে বিশেষ ঘোষণা কৰিছে। অখিল গগৈয়ে পুনৰ শিৱসাগৰত নিৰ্বাচন খেলাৰ ঘোষণা কৰিছে। '২৬ত পুনৰ শিৱসাগৰত নিৰ্বাচন খেলাৰ ঘোষণা কৰে অখিল গগৈয়ে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# কেবিনেটত নিষিদ্ধ হ'ল ফোন

কৰিছিল অসম চৰকাৰৰ ৰাজনৈতিক বিভাগৰ কেবিনেট কোষে। প্ৰকাশিত নিৰ্দেশনা অনুসৰি নিৰ্দেশনাৰ নিৰ্দেশটো গোপন হ'ব লাগিব বুলি কোৱা হৈছিল। কিন্তু নিৰ্দেশনা প্ৰকাশৰ কেইটামান ঘণ্টাৰ পাছতে নিৰ্দেশনাৰ কপিটো ৰাজহুৱা হয়। ইতিমধ্যে সেই কপিটো প্ৰতিটো সংবাদমাধ্যমৰ হাতত পৰে আৰু খবৰ ৰূপে প্ৰকাশ পাইছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ একাংশ ঘনিষ্ঠই মুখ্যমন্ত্ৰীৰ কথা শীলৰ ৰেখা বুলি দাম্ভিক মন্তব্য দিয়ে। মুখ্যমন্ত্ৰীৰ ভয়ত বিষয়া কঁপি থকা বুলি কৰি অহা দাবীক নস্যাৎ কৰি বিষয়াই গোপন নিৰ্দেশনা এটা লীক কৰাৰ অভিযোগ উঠিছে। মুখ্যমন্ত্ৰীৰ নিৰ্দেশত কেবিনেট অনুষ্ঠিত হৈ থকাৰ সময়ত মন্ত্ৰীসকল আৰু বিষয়াৰ মোবাইল নিষিদ্ধ কৰা হৈছিল। মুখ্যমন্ত্ৰীৰ উপস্থিতিত কেবিনেট চলি থকাৰ সময়তে মন্ত্ৰী-বিষয়াৰ মোবাইল নিষিদ্ধ কৰা নিৰ্দেশনাটো গোপন আছিল। কিন্তু সেই গোপন নিৰ্দেশনা লীক কৰা হ'ল। লীক কৰাই নহয় মিডিয়াৰ হাতত পৰিল। ইয়াৰ লগে লগে সচিবালয়ত মুখ্যমন্ত্ৰীৰ কথাৰ গুৰুত্ব নাপায় বুলি অভিযোগ উত্থাপন হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ কথাত নচলা হৈছে নেকি সচিবালয়ত? তাকে লৈও প্ৰশ্ন উত্থাপন হৈ আহিছে। ১০ ডিচেম্বৰৰ গোপন জাননীখন গোপন হৈ নাথাকিল। গোপনীয়তাৰে বিভাগে নিৰ্দিষ্ট কেইজনমান বিষয়াৰ বাবে প্ৰকাশ কৰা জাননীখন যোগে কেবিনেট চলি থকাৰ সময়ত যিটো কোঠাত কেবিনেট অনুষ্ঠিত হ'ব সেই কোঠাটোত মোবাইল ব্যৱহাৰত নিষেধাজ্ঞা জাৰি কৰাৰ লগতে মোবাইল ফোন বাহিৰত ৰখাই থৈ যোৱাৰ নিৰ্দেশনা আছে। কেবিনেট বৈঠকত কোনো মন্ত্ৰী আৰু বিষয়াই মোবাইল ফোন ব্যৱহাৰ কৰিব নোৱাৰিব। সভাকক্ষত প্ৰৱেশৰ পূৰ্বে মন্ত্ৰী আৰু বিষয়াসকলে মোবাইল বাহিৰত থৈ যাব লাগিব। অসম চৰকাৰৰ ৰাজনৈতিক বিভাগৰ যুটীয়া সচিবে ১০ ডিচেম্বৰত প্ৰকাশ কৰা গোপন জাননীখনত কোৱা হৈছে যে ৭ ডিচেম্বৰৰ কেবিনেট বৈঠকত লোৱা হৈছিল মোবাইল নিষিদ্ধ কৰাৰ সিদ্ধান্ত। কেবিনেট অনুষ্ঠিত হ'বলগীয়া কক্ষত প্ৰৱেশৰ পূৰ্বে মন্ত্ৰী আৰু আমোলাই মোবাইলহ বাহিৰত থৈ যাব লাগিব। জাননীখনত কেবিনেটক ৰাজ্য চৰকাৰৰ সৰ্বোচ্চ ক্ষমতা সম্পন্ন ব্যৱস্থা বুলি কোৱা হৈছে। গুৰুতৰ আলোচনাৰ সময়ত মন্ত্ৰী বা আমোলাসকলৰ মনোযোগ আনফালে নাযায় তাৰ বাবে মোবাইল নিষিদ্ধ কৰাৰ সিদ্ধান্ত লোৱা বুলি জাননীখনত কোৱা হৈছে। কিন্তু এই যুক্তি মানি ল'ব পৰা বিধৰ নহয়। কিয়নো ইতিপূৰ্বে কেবিনেটত লোৱা সিদ্ধান্তৰ কথা সংবাদমেল যোগে প্ৰকাশৰ পূৰ্বে একাংশ সাংবাদ মাধ্যমত প্ৰকাশ পাইছিল। আনহাতে, কেবিনেটত আলোচিত বিষয়া উজনৰ পৰা মন্ত্ৰীয়ে বিৰোধ কৰিছিল। যি কথা কেবিনেট চলি থকাৰ সময়তে বাহিৰলৈ আহিছিল। যাৰ বাবে মুখ্যমন্ত্ৰীয়ে কেইজনমান মন্ত্ৰীক বিশ্বাসত ল'বলৈ টান পোৱা বুলি গুজৱ ওলাইছে। তাৰ মাজতে মোবাইল ফোন নিষিদ্ধ কৰাৰ নিৰ্দেশনা আৰু গোপন নিৰ্দেশনাটো লীক কৰাৰ বিষয়টো মুখ্যমন্ত্ৰীৰ ইমেজৰ সৈতে জড়িত হৈ পৰিছে। মুখ্যমন্ত্ৰীক কঠোৰ বুলি জহাই থকা হয় যদিও এনে কাণ্ডৰ দ্বাৰা মুখ্যমন্ত্ৰীৰ নেতৃত্বত চলি থকা প্ৰশাসনৰ ফোপোলা স্বৰূপটো ওলাই পৰিছে।

# মুখ্যমন্ত্ৰীৰ কামত সকলো সন্তুষ্ট নহয়, বিজেপিত বিসম্বাদ হৈছেঃ দেৱব্ৰত

**ই-সংবাদ, ১৪ ডিচেম্বৰঃ** কেবিনেটত মন্ত্ৰীৰ মোবাইল নিষিদ্ধ কৰা আৰু মুখ্যমন্ত্ৰীৰ নিৰ্দেশ নোহোৱাকৈ চাৰি নতুন মন্ত্ৰীয়ে কোনো সিদ্ধান্ত গ্ৰহণ কৰিব নোৱাৰিব বুলি প্ৰকাশিত নিৰ্দেশনাক লৈ কংগ্ৰেছে প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। আজি কংগ্ৰেছ নেতা তথা বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই মুখ্যমন্ত্ৰীক তীব্ৰ সমালোচনা কৰি মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে একাংশ মন্ত্ৰী তথা বিজেপি নেতাই অনাস্তা প্ৰকাশ কৰিছে বুলি সন্দেহ ব্যক্ত কৰি এনে সিদ্ধান্ত লোৱাৰ সন্দেহ কৰিছে। বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই কয় যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নিজৰ বিশ্বস্তসকলক কেবিনেটত অন্তৰ্ভুক্ত কৰে আৰু কাৰ্য পৰিচালনা কৰে। মুখ্যমন্ত্ৰীৰ আস্থাভাজন নহয় তেওঁলোক মন্ত্ৰী হ'ব নোৱাৰে। এয়াই নিয়ম। নতুন চাৰি মন্ত্ৰীয়ে কামবোৰ পৰিদৰ্শন কৰিবলৈ যাব পাৰিব, কিন্তু সিদ্ধান্ত ল'ব নোৱাৰিব। শইকীয়াই কয় যে সেইখিনি কাম বিভাগৰ বিষয়াই কৰিব পাৰে। মন্ত্ৰীৰ প্ৰয়োজন নাই। মন্ত্ৰী হোৱাৰ আশা পূৰণৰ বাবেহে কাৰোবাক কাৰোবাক মন্ত্ৰিত্ব দিয়া হৈছে। এনে ধাৰণা হয় বুলিও কয় শইকীয়াই। মুখ্যমন্ত্ৰীৰ ওপৰত বহুতৰে অনাস্থা আহিছে নেকি বুলি প্ৰশ্ন কৰি বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই মুখ্যমন্ত্ৰীৰ কাম-কাজক লৈ মতানৈক্যৰ সন্দেহ কৰিছে। দেৱব্ৰত শইকীয়াই কয় যে মুখ্যমন্ত্ৰীয়ে আমাৰ বিষয়ে কৈ থাকে যে কংগ্ৰেছ বিধায়িনী দলত কি হৈছে কোনোবাই ৰেকৰ্ডিং কৰি তেওঁক শুনাই থাকে। ঠিক তেনেকৈ এতিয়া বিজেপি দলত কিবা বিসম্বাদ হৈ তেওঁলোকৰ হাইকমাণ্ডক কেবিনেটত কি আলোচনা হয় সেইবিলাক কোনোবাই শুনাই থাকে নেকি মোৰ সন্দেহ হয়। কাৰণ যোৱা সময়ছোৱাত চৰকাৰখনে ৰাইজৰ বাবে কাম কৰিম বুলি কৈ যিমানখিনি অন্যায়মূলক কাম কৰিছে এইবিলাকে নিশ্চিতভাৱে বিজেপিত থকা সকলোকে সন্তুষ্ট কৰা নাই। মই এই কথা দৃঢ়ভাৱে ক'ব পাৰো। এটা সময়ত বিজেপিয়ে এনআৰচি নতুনকৈ হ'ব বুলি কৈ আছিল আৰু এতিয়া চাউলৰ কাৰ্ড ল'বলৈ হ'লে এনআৰচিত নাম থাকিব লাগিব বুলি কৈছে। অৰ্থাৎ তেওঁলোকে এনআৰচিখন গ্ৰহণ কৰিলে। যোৱা বিধানসভাত আমি গিবন অভয়াৰণ্যত তেলৰ অন্বেষণ হ'ব নালাগে বুলি কৈছিলো। কালি এখন দুখজনক ফটো আহিছে। পুঁজিপতিৰ স্বাৰ্থত বা নিজৰ সুবিধাৰ বাবে মুখ্যমন্ত্ৰীয়ে লোৱা এনেকুৱা কিছুমান সিদ্ধান্তত হয়তো সকলো মন্ত্ৰীৰে আস্থা নাথাকে। এইবিলাক কথা বাহিৰত ওলাই যাব তথা ৰেকৰ্ডিং হৈ যাব পাৰে বুলি ভাবি কেবিনেটত মোবাইল নিষিদ্ধ কৰা হৈছে বুলি মোৰ ধাৰণা হৈছে। এইদৰে এতিয়া প্ৰতিক্ৰিয়া ব্যক্ত কৰি চৰকাৰক সমালোচনা কৰিছে বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই।

# ডেভেলপমেণ্ট ফাউণ্ডেচনৰ প্ৰথম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস

**ই-সংবাদ, গেলেকী, ১৪ ডিচেম্বৰঃ** শিৱসাগৰত প্ৰতিষ্ঠা লাভ কৰা মেটেকা প্ৰতিষ্ঠা ডেভেলপমেণ্ট ফাউণ্ডেচনৰ চমুকৈ MPDF নামৰ বেচৰকাৰী সংস্থাটিয়ে এটা বছৰ সম্পূৰ্ণ কৰিলে। এই উপলক্ষে আজি নাজিৰাৰ নাট্য মণ্ডিৰত অনুষ্ঠিত হয় এই বেচৰকাৰী সংস্থাটিৰ প্ৰথম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি এখন সভাৰ আয়োজন কৰা হয় য'ত কেইবাটাও চৰকাৰী বিভাগৰ বিষয়া আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে। উপস্থিত থকা আটাইকেইজন আমন্ত্ৰিত অতিথিয়ে বহুমূলীয়া বক্তব্য প্ৰদান কৰাৰ লগতে চৰকাৰৰ বিভিন্ন আঁচনিৰ বিষয়ে সভাসদসকলক অৱগত কৰে। সভাত বেচৰকাৰী সংস্থাটিৰ সম্পাদক জুহেব জামানে উল্লেখ কৰে যে ইতিমধ্যে সংস্থাটিয়ে প্ৰয়োজনীয় পঞ্জীয়ন প্ৰক্ৰিয়া সম্পন্ন কৰিছে লগতে এটা ৱেবছাইট মুকলি কৰিছে যিটো ছাইটৰ যোগেদি সংস্থাটিয়ে কৰা কৰ্মৰ খতিয়ন ল'ব পাৰিব সকলোৱে। নতুনকৈ মুকলি কৰা ৱেবছাইটটো সকলোৰে সন্মুখত প্ৰদৰ্শন কৰা হয়। আজি বেচৰকাৰী সংস্থাটিৰ প্ৰথম বাৰ্ষিক প্ৰতিষ্ঠা দিৱসত উপস্থিত থাকে সম্পাদক জুহেব জামান, কোষাধ্যক্ষ তাচকিন ৰাৰিছ। আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে কৃষি বিভাগৰ বিষয়া তিতুমণি বৰা, সহকাৰী উন্নয়ন বিষয়া জগতজ্যোতি বৰুৱা, হস্ততাঁত আৰু বস্ত্ৰ শিল্প বিভাগৰ মিতালী দুৱৰা।

■ ৬নং পৃষ্ঠাৰ পৰা...

# ৩৭২ গৰাকী অ'এনজিচিৰ লঘু বাহন

হৈছিল। বিজ্ঞাপনত উল্লেখ থকা অনুসৰিয়েই লটাৰী প্ৰক্ৰিয়াৰে হৈছিল নিবিদা। সমান্তৰালকৈ বিজ্ঞাপনত উল্লেখ আছিল যে লঘু বাহনৰ গৰাকী যিয়েই নহওঁক চালকজন অভিজ্ঞ হ'ব লাগিব। সেই সূত্ৰেই আগৰে পৰা অ'এনজিচিৰ লঘু যানবাহন চলাই অহা চালকসকলেই পুনৰ চালক হিচাপে নিয়োজিত হ'বলৈ সুযোগ লাভ কৰিব বুলি আশা কৰিছিল তথা একপ্ৰকাৰৰ নিশ্চিত আছিল। পিছে এই আশাত শেহতীয়াকৈ বিধি পথালি দিছে এটা জনগোষ্ঠীয় ছাত্ৰ সংগঠনৰ নেতাই। সংবাদমেলত উল্লেখ কৰা অনুসৰি ভাস্কৰ বৰগোঁহাই নামৰ ছাত্ৰ নেতাগৰাকীয়ে অ'এনজিচিৰ লঘু যানবাহন চালক হিচাপে নিয়োজিত হ'বলৈ অভিজ্ঞতা লাগিব বুলি যি নীতি ধাৰ্য কৰি থৈছিল সেই নীতি বাতিল কৰিবলৈ অ'এনজিচিৰ সংশ্লিষ্ট বিভাগত স্মাৰকপত্ৰ প্ৰদান কৰিছে। পূৰ্বৰ অভিজ্ঞতা নথকা লোকেও অ'এনজিচিৰ লঘু যানবাহন চলাব পৰা নীতি প্ৰযোজ্য কৰিবলৈ দাবী জনোৱাৰ ফলতে এতিয়া অভিজ্ঞ চালকসকলৰ মাজত হাহাকাৰ লগাৰ লগতে ক্ষোভত ফাটি পৰিছে। ছাত্ৰ নেতাগৰাকীক ২৪ ঘন্টাৰ ভিতৰত স্মাৰক পত্ৰ উঠিই ল'বলৈকো দাবী জনাইছে ইউনিয়নে। অন্যথা ৩৭২ গৰাকী চালকে তেওঁৰ বাসগৃহত গৈ ধৰ্ণা দিব বুলিও হুংকাৰ দিছে সংবাদমেলযোগে। ইয়াৰ উপৰিও অ'এনজিচিৰ লঘু যানবাহন চলোৱাৰ অভিজ্ঞতা থকা চালকসকলেই পুনৰ চালক হিচাপে নিয়োজিত হ'লে ৰাজহুৱা প্ৰতিষ্ঠানটোৰ বিষয়া-কৰ্মচাৰীৰ নিৰাপত্তা অধিক কটকটীয়া হ'ব বুলি সংবাদমেলত উল্লেখ কৰে। অভিজ্ঞ চালকসকলক অ'এনজিচিৰ বিষয়া-কৰ্মচাৰীসকলে ভালদৰে চিনি পোৱাৰ লগতে বিভিন্ন কৰ্মস্থলীসমূহৰ বিষয়েও জ্ঞাত। তেনেস্থলত নতুন চালক নিয়োজিত কৰিলে সমস্যা বাঢ়িব বুলি দাবী কৰে ইউনিয়নে।

■ ৬নং পৃষ্ঠাৰ পৰা...

# দৰঙৰ ১০ গাঁৱৰ কাহিনীৰে সফল

শ্ৰোতা-দৰ্শক যেন নিজৰ নিজৰ গাঁৱৰ শৈশৱ আৰু ল'ৰালিলৈ উভতি গৈছে। দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত সভাপতি বৰদা শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত বিশিষ্ট অতিথি অধ্যাপক ঘটেশ্বৰ বৰুৱাই উদ্বোধন কৰা 'গাঁৱৰ জনজীৱনৰ কাহিনী' শীৰ্ষক অনুষ্ঠানত বৰকুমাৰপাৰাৰ কাহিনী হেমন্ত দাসে, গধিয়াপাৰাৰ বিষয়ে কয় লক্ষী শৰ্মাই, কুমাৰপাৰাৰ বিষয়ে মিলিক কুমাৰে, হাউলি মোহনপুৰৰ বিষয়ে ডঃ অমৰেন্দ্ৰ নাৰায়ণ দেৱ আৰু বীণা হাজৰিকাই মোল্লাপাৰা গাঁৱৰ কাহিনী শুনায়। অনুষ্ঠানত বিশিষ্ট অতিথিৰ ভাষণ দিয়ে ড০ শশীন চহৰীয়াই। ইয়াৰ লগে লগে আয়োজক সমিতিৰ কাৰ্যকৰী সভাপতি ৰাজেন্দ্ৰ নাথ হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত সামৰণি অনুষ্ঠান উদ্বোধন কৰি অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা ছিপাঝাৰৰ বিধায়ক ডঃ পৰমানন্দ ৰাজবংশীয়ে কয় যে যিয়ে গ্ৰন্থ স্পৰ্শ কৰে তেওঁ ভগৱানৰ সান্নিধ্য লাভ কৰে। গীতা-কোৰাণ-বাইবেল অধ্যয়ন কৰি যিদৰে ভগৱানৰ কাষ চাপিব পাৰি আন আন গ্ৰন্থ স্পৰ্শ কৰি লাভ কৰা প্ৰজ্ঞা আৰু জ্ঞানৰ জ্যোতিৰে ঈশ্বৰীয় সান্নিধ্য পাব পাৰি। আয়োজক সমিতিৰ সাধাৰণ সম্পাদক মুকুটৰাজ শৰ্মাই আঁত ধৰা এই অনুষ্ঠানত বিশিষ্ট অতিথিৰ ভাষণত মঙলদৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ কমলাকান্ত বৰাই গ্ৰন্থ অধ্যয়নৰ মহত্বৰ কথা ব্যাখ্যা কৰে। আয়োজক সমিতিৰ অন্যতম সাধাৰণ সম্পাদক ৰাজীৱ কুমাৰ ডেকা, বঙাইগাঁও জিলা পৰিষদৰ কাৰ্যবাহী অভিযন্তা ভৱেন বৰ্মন, মঙলদৈ প্ৰেছ ক্লাবৰ সভাপতি হোমেন কাকতি, পত্ৰিকা সম্পাদক বাবুল মকছেদ আহমেদ উপস্থিত থকা অনুষ্ঠানত বিশিষ্ট সমাজকৰ্মী অমৰেন্দ্ৰ শৰ্মাই মঙলদৈ গ্ৰন্থমেলাৰ জৰিয়তে মঙলদৈ তথা দৰং জিলাত পুঁথি বিক্ৰী আৰু অধ্যয়নৰ এটা পৰিৱেশ গঢ় লোৱাত সন্তোষ প্ৰকাশ কৰি কয় কিতাপ পঢ়াৰ যি আমেজ আৰু আনন্দ সেই আনন্দ গুগল, ইন্টাৰনেট, মোবাইল ফোনে কেতিয়াও দিব নোৱাৰে। অনুষ্ঠানত আয়োজক সমিতিয়ে প্ৰকাশ কৰা আৰু সদৌ অসম ছাত্ৰ সন্থাৰ উপ-সভাপতি খনীন্দ্ৰ ৰাজবংশীৰে সম্পাদনা কৰা মঙ্গলম নামৰ স্মৃতিগ্ৰন্থ উন্মোচন কৰে দৰঙৰ আয়ুক্ত পৰাগ কুমাৰ কাকতিয়ে। উল্লেখ্য যে সামৰণিৰ দিনটোত গ্ৰন্থমেলাৰ বাকৰিত লোকে-লোকাৰণ্য হৈ পৰে। গ্ৰন্থ বিপনীসমূহত যথেষ্ট গ ন্থপ্ৰেমীৰ ভিৰ পৰিলক্ষিত হয়। সমান্তৰালকৈ গ্ৰন্থ বিক্ৰীৰ হাৰো সন্তোষজনক বুলি আয়োজক সমিতিয়ে জনাইছে। মঙলদৈ প্ৰেছ ক্লাবৰ উদ্যোগত আৰু সদৌ অসম গ্ৰন্থ প্ৰকাশন আৰু বিক্ৰেতা সন্থাৰ সহযোগত অনুষ্ঠিত এই গ্ৰন্থমেলাৰ সফলতালৈ লক্ষ্য ৰাখি অসম চৰকাৰে অসম প্ৰকাশন পৰিষদৰ গ্ৰন্থমেলাখন ২০২৫ বৰ্ষত মঙলদৈ প্ৰেছ ক্লাব আৰু সদৌ অসম পুথি প্ৰকাশন আৰু বিক্ৰেতা সন্থাৰ সহযোগত মঙলদৈতে অনুষ্ঠিত হ'ব বুলি ইতিমধ্যে শিক্ষামন্ত্ৰী ডঃ ৰণোজ পেগুয়ে ঘোষণা কৰিছে। সামৰণি অনুষ্ঠানত দৰঙৰ পুঁথি বিক্ৰী বিপণী আন্দোলনৰ বাটকটীয়া, মঙলদৈৰ প্ৰতিষ্ঠিত পুথি বিক্ৰী প্ৰতিষ্ঠান 'জ্ঞানজ্যোতি'ৰ স্বত্বাধিকাৰ স্বৰ্গীয় নিত্যানন্দ সাহালৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়

■ ৬নং পৃষ্ঠাৰ পৰা...

# মাজুলীত প্ৰশ্নকাকত প্ৰস্তুতত বিসংগতি!

একক পৰীক্ষাত অন্তৰ্ভুক্ত নোহোৱা পাঠৰ প্ৰশ্ন অন্তৰ্ভুক্ত কৰি প্ৰশ্নকাকত প্ৰস্তুত কৰাত পৰীক্ষা গৃহত বিপাঙত পৰে ছাত্ৰ-ছাত্ৰীসকল। ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলে জানিবলৈ দিয়া অনুসৰি দ্বিতীয় একক পৰীক্ষাৰ বাবে ছেবাৰ পাঠ্যসূচী অনুসৰি ছেপ্টেম্বৰ, অক্টোবৰ আৰু নৱেম্বৰ মাহৰ পাঠকেইটাৰ ৫০ নম্বৰৰ প্ৰশ্ন অন্তৰ্ভুক্ত কৰিব লাগিছিল। কিন্তু ইয়াৰ বিপৰীতে ডিচেম্বৰ মাহৰ ভাৰতবৰ্ষ আঞ্চলিক ভূগোল পাঠটোৰ পৰা প্ৰশ্ন প্ৰস্তুত কৰাত ছাত্ৰ-ছাত্ৰী বিপাঙত পৰে। কিয়নো পাঠ্যক্ৰম অনুসৰিহে পৰীক্ষাৰ বাবে প্ৰস্তুতি চলাই পৰীক্ষাত বহিছিল ছাত্ৰ-ছাত্ৰী। প্ৰশ্নকাকত অনুসৰি ১ নম্বৰৰ পাঁচটা প্ৰশ্ন, ২ নম্বৰৰ তিনিটা প্ৰশ্ন, ৩ নম্বৰৰ দুটা প্ৰশ্ন, ৪ নম্বৰৰ দুটা প্ৰশ্ন, ৭ নম্বৰৰ এটা চমু টোকা, ৮ নম্বৰৰ এটা প্ৰশ্ন, ১০ নম্বৰৰ এটা প্ৰশ্নৰে প্ৰস্তুত কৰা প্ৰশ্নকাকতখনৰ ২৮ নম্বৰেই পাঠ্যক্ৰম বাহিৰৰ পাঠৰ প্ৰশ্ন অন্তৰ্ভুক্ত কৰা হয়। এখন জিলাৰ এটা গুৰুত্বপূৰ্ণ দায়িত্বত থকা এখন পৰিষদে ছাত্ৰ-ছাত্ৰীৰ পৰীক্ষাৰ দৰে এটা বিষয়ক গুৰুত্বহীন কৰি তোলাতো সহজভাৱে ল'ব পৰা নাই অভিভাৱকসকলে। প্ৰশ্ন পাঠ্যক্ৰম অনুসৰি প্ৰশ্ন প্ৰস্তুত কৰিছিলনে? কিয় পৰিষদখনে প্ৰশ্নকাকত এবাৰো নিৰীক্ষণ নকৰিলে বুলি অভিভাৱকসকলে প্ৰশ্ন কৰে। অভিভাৱকসকলে জানিবলৈ দিয়া অনুসৰি ইয়াৰ পূৰ্বেও অধিবিদ্যা পৰিষদে অনুষ্ঠিত কৰা পৰীক্ষাত বিসংগতি হৈছিল। পৰীক্ষাৰ ক্ষেত্ৰত পৰিষদখনৰ গুৰুত্বহীনতাৰ কাৰ্যত ক্ষোভ প্ৰকাশ কৰিছে অভিভাৱকসকলে।

■ ৬নং পৃষ্ঠাৰ পৰা...

# বেবেজীয়াত গৰুভৰ্তি বাহন জব্দ

পশ্চিম প্ৰান্তৰ জলময়গাঁৱত এখন গৰুভৰ্তি বাহন স্থানীয় ৰাইজে জব্দ কৰা ঘটনাই ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰে। আচলতে, নগাঁও-মৰিগাঁও সংযোগী ৰাজ্যিক ঘাইপথৰ জলময়গাঁৱত প্ৰায় কুৰিটাৰো অধিক গৰু কঢ়িয়াই অনি থকা অৱস্থাত এছ-০১ এছ চি-৫২৬৭ নম্বৰৰ ট্ৰাকখন স্থানীয় ৰাইজে জব্দ কৰে। উক্ত পথটোৰ জলময়গাঁও তিনিআলিত থকা গতিৰোধকত গাড়ীখনৰ গতিবেগ থমকি যোৱাত গাড়ীত থকা গৰুবোৰে হেম্বেলিয়াব ধৰাৰ শব্দ পথৰ কাষৰ স্থানীয় ৰাইজে শুনিবলৈ পায় আৰু সন্দেহ উপজাত ততাতৈয়াকৈ বহু মানুহ গোট খাই কৌশলেৰে গৰুভৰ্তি ট্ৰাকখন জব্দ কৰে। ৰহস্যজনক কথাটো হ'ল ৰাইজে ট্ৰাকখন জব্দ কৰোতে সুযোগ বুজি মুহূৰ্তৰ ভিতৰতে ট্ৰাকখনৰ চালক আৰু হেণ্ডিমেনে সেই স্থানৰ পৰা পলায়ন কৰে বুলি স্থানীয় ৰাইজে জানিবলৈ দিছে। পিছত এই ঘটনাৰ বিষয়ে জানিব পাৰি স্থানীয় বেবেজীয়া আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ গৰুভৰ্তি ট্ৰাকখন ৰাইজৰ পৰা চমজি লয়। ইয়াক লৈ অঞ্চলটোত চাঞ্চল্যই বিৰাজ কৰিছে।

৬নং পৃষ্ঠাৰ পৰা...

# ৰঙীণ পৃথিৱী চাব খোজা চতেমাৰীৰ

নলবাৰী জিলাৰ মুকালমুৱাৰ চতেমাৰী গাঁৱৰ দীপৰঞ্জন তালুকদাৰৰ ১১ বছৰ বয়সতে আলফুলীয়া সপোন ধ্বংস হৈ পৰিছিল। পথ দুৰ্ঘটনাত পতিত হৈ দৃষ্টিশক্তি হেৰুৱাব লগা হৈছিল তেতিয়াৰ চেমনীয়া, এতিয়াৰ যুবক দীপৰঞ্জনে। নলবাৰী জিলাৰ মুকালমুৱাৰ চতেমাৰী গাঁৱৰ কৃষক মহেন্দ্ৰ তালুকদাৰৰ পুত্ৰ দীপৰঞ্জন তালুকদাৰে ২০১২ চনত এক পথ দুৰ্ঘটনাত পতিত হৈছিল। বুকু কঁপি উঠা হৃদয় বিদাৰক পথ দুৰ্ঘটনাই ৰাজ্যবাসীক কন্দুৱাইছিল। এখন টেম্প'ত মুকালমুৱালৈ গৈ থাকোতেই দুৰ্ঘটনাত পতিত হয় দীপৰঞ্জন। দুৰ্ঘটনাত গুৰুতৰভাৱে আহত হৈ সংকটজনক অৱস্থাত গুৱাহাটীৰ ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল দীপক। ১৮টা দিন আইচিইউত থাকি চিকিৎসকৰ আপ্ৰাণ চেষ্টাত দীপৰঞ্জনে জীৱন উভতাই পায় যদিও চিৰদিনৰ বাবে হেৰুৱলগীয়া হয় দৃষ্টিশক্তি। পুত্ৰ দীপৰঞ্জনৰ দৃষ্টিশক্তি ঘূৰাই আনিবলৈ পোহনীয়া জীৱ-জন্তু, মাটি-সম্পত্তি বিক্ৰী কৰি গুৱাহাটীকে ধৰি দেশৰ বিভিন্ন প্ৰান্তত চিকিৎসা কৰিলে কৃষক পিতৃ মহেন্দ্ৰ তালুকদাৰে। ১২ বছৰে কেৱল মাত্ৰ ধনৰ অভাৱতে উপযুক্ত চিকিৎসাৰ বাবে বঞ্চিত হৈ আজিও পৃথিৱীৰ পোহৰ দেখিবলৈ পোৱা নাই দীপৰঞ্জনে। উপযুক্ত চিকিৎসা পালে পুনৰ দৃষ্টিশক্তি ঘূৰাই পোৱাৰ আশা পুহি ৰাখিছে দীপৰঞ্জনে। কিন্তু টকাৰ অভাৱত চিকিৎসা আধাতে সামৰি দীপৰঞ্জনক ঘৰলৈ উভতাই আনে দৰিদ্ৰ পিতৃয়ে। দুবছৰ পূৰ্বে পিতৃও দুৰ্ঘটনাত পতিত হৈ চিকিৎসা গ্ৰহণ কৰি আহিছে। ফলত পৰিয়ালটো যথেষ্ট সমস্যাৰ সন্মুখীন হৈছে। পৃথিৱীৰ পোহৰ চাবলৈ মনত হেঁপাহ পুহি ৰখা দীপৰঞ্জনে এতিয়া অসহায় হৈ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক সহায় কৰিবলৈ কাতৰ আহ্বান জনাইছে। অসমবাসীৰ পৰাও দীপৰঞ্জনে বিচাৰিছে সহায়। কোনো সদাশয় লোকে দীপৰঞ্জনক সহায় কৰিব বিচাৰিলে দীপৰঞ্জন তালুকদাৰৰ লোহাৰকাটাস্থিত বেংক অৱ ইণ্ডিয়াৰ BKID0005003 আৰু 500310510001261 একাউণ্ট নম্বৰত সহায় কৰিব পাৰিব নতুবা পৰিয়ালৰ সৈতে ৯৩৯৪৮৫৭০৭৭ নম্বৰত যোগাযোগ কৰিব পাৰিব।

৬নং পৃষ্ঠাৰ পৰা...

# বিফলতাই আমাক শিকায়, ক'লে মন্ত্ৰী

বিধায়ক তথা অসম চৰকাৰৰ শ্ৰমিক কল্যাণ, চাহ জনজাতি আৰু আদিবাসী কল্যাণ, গৃহ (কাৰাগাৰ, গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা) বিভাগৰ নৱনিযুক্ত মন্ত্ৰী ৰূপেশ গোৱালাৰ। ডুমডুমা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহ (কল্লোল)ত আজি অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি ভাষণত এইদৰে মন্তব্য কৰে যুৱমন্ত্ৰীগৰাকীয়ে। নিজৰ শিক্ষা জীৱনৰ কথা মনত পেলাই তেওঁ কয় যে মোৰ জীৱনতো তেনেকুৱা এক কাহিনী আছে। মই মোৰ জীৱনত বহুত দুখ-কষ্টৰ সন্মুখীন হৈছিলো। চতুৰ্থ শ্ৰেণীত পঢ়ি থাকোঁতেই মোৰ দেউতা ঢুকাইছিল। মোৰ মায়ে পঢ়া-শুনা নাজানে। কিন্তু এটা কথা খুব ভালকৈ জানিছিল যে গধুলি হ'লে পঢ়া টেবুলত বহিব লাগে। পুৱা উঠি পঢ়িব লাগে। আমি পঢ়া কথাবোৰ মায়ে বুজি পায় নে নাপায় নাজানো, কিন্তু আমি পঢ়া-শুনা কৰাটোত মায়ে খুব ভালকৈ নজৰ দিছিল। মই বহুত চোকা ছাত্ৰ নাছিলো। মধ্যমীয়া আছিলো। কিন্তু এবাৰো ফেল কৰা নাছিলো। মেট্ৰিক পাছ কৰাৰ পিছত কি শাখাত নামভৰ্তি কৰিম জনাই নাছিলো। মোৰ মামা এগৰাকী বাণিজ্যৰ স্নাতক আছিল। যিহেতু মই অতি চোকা ল'ৰা নাছিলো, সেইবাবে বিজ্ঞান শাখাৰ পৰিৱৰ্তে বাণিজ্য শাখাকেই বাছি ললো। স্নাতক হোৱাৰ পিছত পঢ়াৰ আৰু মন থকাৰ বাবে তিনিচুকীয়া আইন মহাবিদ্যালয়ত নামভৰ্তি কৰিছিলো। কিন্তু ঘৰত মাক সহযোগিতা কৰিবলগীয়া হোৱাৰ বাবেই আইনৰ শিক্ষা সম্পূৰ্ণ কৰিব নোৱাৰিলো। ঘৰৰ ভন্টি-ভাইটিকো পঢ়াব-শুনাব লাগে। যেতিয়ালৈকে মই ছাত্ৰ হৈ আছিলো, ভবাই নাছিলো যে মানুহৰ জীৱনত কিবা নহয় কিবা স্থিৰ লক্ষ্য থাকিব লাগে! মোৰ জীৱনৰ লক্ষ্য কেতিয়াও ৰাজনীতি নাছিল। মই জীৱনত দুটা বস্তু কেতিয়াও নকৰো বুলিয়েই ভাবিছিলো- এটা Politics আৰু আনটো Police। কিন্তু ভাগ্যৰ লিখন এয়া। মই প্ৰথমে যেতিয়া অসম চাহ মজদুৰ সংঘৰ ডুমডুমা শাখাৰ সম্পাদকৰ দায়িত্বত আছিলো, তেতিয়াৰ পৰাই মই সমাজৰ বাবে কিবা এটা কৰিব পৰা হ'লো, তেতিয়াৰ পৰাই মই সামাজিকভাৱে কিবা নহয় কিবা কৰিবলৈ চেষ্টা কৰি আহিছো যাতে ছাত্ৰ-ছাত্ৰীসকল উপকৃত মন্ত্ৰী ৰূপেশ গোৱালাই ডুমডুমা বিধানসভা সমষ্টিৰ অন্তৰ্গত চৰকাৰী, প্ৰাদেশীকৃত আৰু অপ্ৰাদেশীকৃত (ব্যক্তিগত খণ্ডৰ বিদ্যালয় বাদ দি) বিদ্যালয়সমূহৰ নৱম শ্ৰেণীত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলক সামগ্ৰিক উত্তৰণৰ বাবে হাতত লোৱা এলানি পদক্ষেপৰ অংশস্বৰূপে চলিত বৰ্ষৰ যোৱা ৪ আগষ্টত অনুষ্ঠিত কৰা দ্বিতীয় বাৰ্ষিক 'বিধায়কৰ প্ৰতিভা সন্ধানী পৰীক্ষা-২০২৪' ত প্ৰথম পঞ্চাশটা স্থান লাভ কৰা শিক্ষাৰ্থীসকলক আনুষ্ঠানিকভাৱে অভিনন্দন জনোৱাৰ লগতে তেওঁলোকক পুৰস্কাৰ প্ৰদান কৰিবৰ বাবে ৰূপাইস্থিত ডুমডুমা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহ (কল্লোল)ত অনুষ্ঠিত বিশেষ অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি ভাষণ দাঙি ধৰি ছাত্ৰ-ছাত্ৰীসকলক অনুপ্ৰাণিত কৰে। দ্বিতীয় বাৰ্ষিক 'বিধায়ক প্ৰতিভা সন্ধানী পৰীক্ষা-২০২৪'ৰ পৰীক্ষা পৰিচালনা সমিতিৰ উপ-সভাপতি অভিজিত খাটনিয়াৰ, যুটীয়া সম্পাদক নয়ন ডেকা আৰু দিলীপ প্ৰসাদে আঁত ধৰা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিৰ আৰম্ভণিতে ডুমডুমা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষা তথা বিশিষ্টা অনাতাঁৰ শিল্পী বীণা দেৱী বৰদলৈয়ে এটি সৰস্বতী বন্দনা পৰিৱেশন কৰে। আদৰণি ভাষণ প্ৰদান কৰে ডুমডুমা ৰাজহ চক্ৰৰ চক্ৰ বিষয়া তথা পৰীক্ষা পৰিচালনা সমিতিৰ সভাপতি নৱজ্যোতি চহৰীয়াই। ডুমডুমা হুনলাল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ দ্বাৰা পৰিৱেশিত জনগোষ্ঠীয় সমন্বয় নৃত্যৰ পিছত আমন্ত্ৰিত অতিথিৰ পৰিচয় প্ৰদান, আসন গ্ৰহণ আৰু সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত নৱনিযুক্ত মন্ত্ৰী ৰূপেশ গোৱালাক পৰীক্ষা পৰিচালনা সমিতিৰ উপৰি পি এম শ্ৰী উচ্চ মাধ্যমিক বিদ্যালয়, ফিল'বাৰী, ডুমডুমা বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়, ডুমডুমা বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়, তিনিচুকীয়া জিলা বাস্কেটবল সন্থা, পিনাকী নাট্য দল আদিয়ে সম্বৰ্ধনা জনায়। পৰীক্ষাত প্ৰথম স্থানপ্ৰাপ্ত পি এম শ্ৰী ফিল'বাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ আকাংক্ষা হাজৰিকাই ভাষণ দাঙি ধৰে। ইয়াৰ পাছত নিৰ্দিষ্ট বক্তাৰ ভাষণত তিনিচুকীয়া জিলা আয়ুক্ত স্বপ্নীল পালে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি যথেষ্ট অনুপ্ৰেৰণামূলক বক্তব্যৰে অনুষ্ঠানটিৰ সৌষ্ঠৱ বৃদ্ধি কৰে। উল্লেখ্য যে, যোৱা ৪ আগষ্টত অনুষ্ঠিত হোৱা এইবাৰৰ পৰীক্ষাত ডুমডুমা বিধানসভা সমষ্টিৰ অন্তৰ্গত মুঠ ২৪ খন প্ৰাদেশীকৃত আৰু অপ্ৰাদেশীকৃত বিদ্যালয়ৰ নৱম শ্ৰেণীত অধ্যয়নৰত মুঠ ১২৯৪ গৰাকী ছাত্ৰ-ছাত্ৰী অৱতীৰ্ণ হয়। ইংৰাজী, গণিত,বিজ্ঞান, সাধাৰণ জ্ঞান আৰু যুক্তিৰ মুঠ এশটা বিকল্পধৰ্মী প্ৰশ্নৰে OMR Sheet ৰ প্ৰক্ৰিয়াৰে আৰক্ষী নিৰাপত্তা বেষ্টনীৰ মাজত অতি সুচাৰুৰূপে অনুষ্ঠিত হোৱা উক্ত দুঘণ্টীয়া পৰীক্ষাত মুঠ ৭৪ গৰাকী শিক্ষকক নিয়োজিত কৰা হৈছিল বুলি মন্ত্ৰী গোৱালাই নিজৰ ভাষণত উল্লেখ কৰে। প্ৰাৰম্ভিক বৰ্ষত অনুষ্ঠিত পৰীক্ষাত স্থান লাভ কৰা শীৰ্ষ ২০ গৰাকী পৰীক্ষাৰ্থীক নগদ ধনেৰে পুৰস্কৃত কৰাৰ বিপৰীতে এইবাৰৰ পৰীক্ষাত প্ৰথম পঞ্চাশটা স্থান লাভ কৰা পৰীক্ষাৰ্থীসকলক আজি আনুষ্ঠানিকভাৱে অভিনন্দন জনোৱাৰ লগতে তেওঁলোকক নগদ ধনেৰে পুৰস্কৃত কৰা হয়। অৱশ্যে আজি দ্বিতীয় শনিবাৰৰ দিন হোৱা হেতুকে অহা সোমবাৰৰ ভিতৰত বেংক একাউণ্টত নিৰ্দিষ্ট ধনৰাশি জমা হোৱাৰ কথা ঘোষণা কৰে পৰীক্ষা পৰিচালনা সমিতিয়ে। আজিৰ অনুষ্ঠানত মন্ত্ৰী ৰূপেশ গোৱালাৰ লগতে জিলা আয়ুক্ত স্বপ্নীল পাল, ডুমডুমা সমজিলা আয়ুক্ত নুজাহৎ নাচৰিন, ডুমডুমা ৰাজহ চক্ৰৰ চক্ৰ বিষয়া নৱজ্যোতি চহৰীয়া, পদ্মশ্ৰী দুলাল মানকি, ডুমডুমা পৌৰসভাৰ পৌৰপতি কান্তা ভট্টাচাৰ্য, ডুমডুমা মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ কমলেশ্বৰ কলিতা, হুনলাল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ মঃ অলিপ খান, ডুমডুমাৰ বিশিষ্ট চিকিৎসক তথা সমাজকৰ্মী ডাঃ প্ৰণৱজ্যোতি ডেকা, বিশিষ্ট শিক্ষাবিদ-সমাজকৰ্মী প্ৰকাশ দত্ত, তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা পৰীক্ষা পৰিচালনা সমিতিৰ উপদেষ্টা অৰ্জুন বৰুৱাও উপস্থিত থাকে। অনুষ্ঠানৰ আঁত ধৰাৰ লগতে কৃতজ্ঞতা পত্ৰ পাঠ আৰু শলাগৰ শৰাই আগবঢ়ায় পৰীক্ষা পৰিচালনা সমিতিৰ অন্যতম উপ-সভাপতি তথা বিশিষ্ট সাংবাদিক-সমাজকৰ্মী অভিজিত খাটনিয়াৰে। পৰীক্ষা পৰিচালনা সমিতিৰ সদস্যসকলৰ লগতে পৰীক্ষা কেন্দ্ৰৰ নেতৃবৃন্দকো আজি সম্বৰ্ধনা জনোৱা হয়।

■ ৬নং পৃষ্ঠাৰ পৰা...

# প্ৰশান্ত ফুকনক ডিব্ৰুগড়ত সম্বৰ্ধনা

অসমৰ উদ্যোগত অনুষ্ঠিত হোৱা ষষ্ঠ গ্ৰন্থ মহোৎসৱৰ উদ্বোধনী সভাত তেওঁক ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলৰ স'তে অধ্যক্ষ ড০ শশীকান্ত শইকীয়া, কানৈ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ দাতা সদস্য জে পি কানৈ, ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰাক্তন মুৰব্বী ড০ নিৰ্মালী পেগু প্ৰমুখ্যে কেইবাজনো অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-একতা সভাৰ বিষয়ববীয়াসকলৰ উপস্থিতিত মন্ত্ৰীগৰাকীক সম্বৰ্ধনা জ্ঞাপন কৰে। সম্বৰ্ধনা জ্ঞাপন কৰা অনুষ্ঠানত অসম সাহিত্য সভাৰ সভাপতি ড০ সূৰ্যকান্ত হাজৰিকা, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ জিতেন হাজৰিকা, বিশিষ্ট লেখক, অধ্যাপক ড০ ভীমকান্ত বৰুৱা, বিশিষ্ট সাহিত্যিক ড০ কৰবী ডেকা হাজৰিকা, অসম সাহিত্য সভাৰ পত্ৰিকা সম্পাদক ৰঘুনাথ কাগয়ুং, ডিব্ৰু মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষা জ্যোতি বৰগোহাঁই, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক ড০ চন্দন শৰ্মা, অসম সাহিত্য সভাৰ সংবাদ পত্ৰৰ সম্পাদক গৌতম গগৈ, অসম সাহিত্য সভাৰ ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক ভূবন মোহন গোস্বামী, কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপিকা তথা বিশিষ্ট সাহিত্যিক ড০ ভাৰতী দত্তকে ধৰি ডিব্ৰুগড় আৰু বিভিন্ন অঞ্চলৰ পৰা দুই শতাধিক গণ্যমান্য ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানটোৰ আঁত ধৰে কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সুমন দত্তই। উল্লেখ্য যে ঐতিহাসিক ডিব্ৰুগড় বিধানসভা সমষ্টিৰ পৰা ৪১ বছৰৰ পিছত বিধায়ক প্ৰশান্ত ফুকনে মন্ত্ৰিত্বৰ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। তেওঁ ২০০৬ চনৰ পৰা একেৰাহে চাৰিবাৰকৈ ডিব্ৰুগড় বিধানসভা সমষ্টিক প্ৰতিনিধিত্ব কৰি আহিছে।

■ ৬নং পৃষ্ঠাৰ পৰা...

# দলগাঁও সমষ্টি পুনৰ দখলৰ হুংকাৰ

সভাত এই আই ইউ ডি এফৰ দখলত থকা দলগাঁও সমষ্টি পুনৰ উদ্ধাৰৰ হুংকাৰ দিয়ে মহিলা কংগ্ৰেছৰ অসম ৰাজ্যিক সভানেত্ৰী মীৰা বৰঠাকুৰে। সভাত অসম প্ৰদেশ মহিলা কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰে দেশৰ উন্নতিৰ কথা পাহৰি কেৱল হিন্দু-মুছলমানৰ ৰাজনীতি কৰি অহা প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক তীব্ৰ ভাষাৰে সমালোচনা কৰে। সভাত ইউ ডি এফৰ দলগাঁও সমষ্টিৰ বিধায়ক মজিবুৰ ৰহমানক তীব্ৰ ভাষাৰে কটাক্ষ কৰে। মহিলা সভানেত্ৰী মীৰা বৰঠাকুৰে দলগাঁও সমষ্টিৰ বিধায়ক মজিবুৰ ৰহমানক 'না ঘৰ কা, না ঘাট কা' বুলি কটাক্ষ কৰি কয় যে বিধায়কজনে বিজেপিৰ মন্ত্ৰী পীযুষ হাজৰিকা, সাংসদ দিলীপ শইকীয়াৰ কথা মতেহে চলে আৰু উঠা বহা কৰে। উল্লেখ্য যে আগন্তুক পঞ্চায়ত আৰু বিধানসভা নিৰ্বাচনত কংগ্ৰেছক ভোট দিয়াৰ আহ্বান জনাই মীৰা বৰঠাকুৰে কয় যে কংগ্ৰেছে পূৰ্বৰ পৰাই ধৰ্ম নিৰপেক্ষতাৰ সপক্ষে আছিল আৰু আগন্তুক দিনতো ধৰ্ম নিৰপেক্ষতা অটুট ৰাখি কাম কৰি যাব। মীৰা বৰঠাকুৰৰ উপস্থিতিত আজিৰ সভাত অগপ আৰু ইউ ডি এফৰ কেবাজনো নেতাই আনুষ্ঠানিকভাৱে কংগ্ৰেছত যোগদান কৰে। নুৰ আবু জাহেৰ চিদ্দিকে সম্বৰ্ধনা অনুষ্ঠানৰ আঁত ধৰা সভাখনত অসম ৰাজ্যিক মহিলা কংগ্ৰেছৰ সম্পাদিকা তুলিকা গগৈ, সদস্য মোজাম্মিল হক, বেচিমাৰী ব্লক কংগ্ৰেছৰ সভাপতি আতাৰ ৰহমান, নতুনকৈ কংগ্ৰেছত যোগদান কৰা ইউ ডি এফৰ কেন্দ্ৰীয় সমিতিৰ নেতা তথা কংগ্ৰেছৰ মুখপাত্ৰ জেহিৰুল ইছলাম, শ্বহীদুল ইছলাম প্ৰমুখ্যে কেবাজনো ৰাজ্যিক আৰু জিলা কংগ্ৰেছৰ নেতা উপস্থিত থাকে। সভাখনৰ আৰম্ভণিতে দলগাঁৱৰ শিশুশিল্পী আৰু যুৱতীসকলে বিহু নৃত্য প্ৰদৰ্শন কৰে। উল্লেখ্য যে বৰ্তমান ইউ ডি এফৰ দখলত থকা দলগাঁও সমষ্টিত আজিৰ মহিলা কংগ্ৰেছৰ সভাখনত পুৰুষ, যুৱক যুৱতীৰ বিপুল সঁহাৰি লাভ কৰা দেখা যায়। আজিৰ সভাখনে কংগ্ৰেছ কৰ্মীক উৎসাহী কৰি তুলিছে।

# ছয় বিশিষ্ট ব্যক্তিলৈ 'কাঞ্চনজংঘা'ই পহিলা জানুৱাৰীত প্ৰদান কৰিব বিশেষ বঁটা

**ই-সংবাদ, ডিব্ৰুগড়, ১৪ ডিচেম্বৰঃ** সুদূৰ চীন দেশত কৰ্মৰত অভিযন্তাৰ পদ এৰি কাঞ্চনজংঘাৰ জৰিয়তে ডিব্ৰুগড়ৰ বগীবিল দলঙৰ পাৰ পৰ্যটন ক্ষেত্ৰলৈ পৰিণত কৰাৰ লগতে নদী পৰ্যটনক এক নতুন গতি প্ৰদান কৰা সমাজকৰ্মী গৌতম বৰদলৈয়ে এইবাৰ সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ বৰঙণি আগবঢ়াই যোৱা ব্যক্তিসকলক উৎসাহিত কৰাৰ বাবে কেইবাটাও শিতানত বঁটা প্ৰদান কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। ২০২৫ বৰ্ষৰ পৰা প্ৰতিবছৰে প্ৰদান কৰিব 'কাঞ্চনজংঘা ট্ৰেণ্ডচেটাৰ এৱাৰ্ড -২০২৪' শীৰ্ষক বঁটা। অহা ২০২৫ বৰ্ষৰ পহিলা জানুৱাৰীত বগীবিলৰ কাঞ্চনজংঘাত প্ৰদান কৰিব লগা এই বঁটাৰ বাবে ইতিমধ্যে কেইবাজনো বিশিষ্ট ব্যক্তিক লৈ গঠিত জুৰি ব'ৰ্ডে বঁটা প্ৰাপকসকলৰ নাম নিৰ্বাচিত কৰি তালিকা প্ৰকাশ কৰিছে। সেই অনুসৰি অক্লান্ত শ্ৰম আৰু কষ্ট কৰি মানৱসেৱাৰ সংকল্পৰে প্ৰায় ২,৬০০ ব্যক্তিক সৰ্প দংশনৰ চিকিৎসা আগবঢ়াই ২,৫৫৯ জন ব্যক্তিৰ জীৱন বচোৱাৰ বাবে ডা০ সুৰজিৎ গিৰিলৈ চিকিৎসা সেৱাৰ ক্ষেত্ৰত এই বঁটা প্ৰদান কৰিব। আনহাতে, অজস্ৰ গৃহহীন ব্যক্তিক আশ্ৰয়ৰ থলী নিৰ্মাণ কৰি দিয়া বাবে সমাজ সেৱাৰ ক্ষেত্ৰত ইউটিউবাৰ সময় গগৈ, কৃষিক্ষেত্ৰত ব্যৱহৃত বিভিন্ন যন্ত্ৰৰ যোগান ধৰি কৃষকসকলৰ উৎপাদনশীলতা বঢ়োৱা আৰু কষ্ট লাঘৱ কৰাৰ বাবে কৃষিক্ষেত্ৰত আগবঢ়োৱা হীৰেন চেতিয়াক বঁটা প্ৰদান কৰাৰ লগতে আধুনিক ইলেক্ট্ৰনিক উদ্যোগৰ এটা থলুৱা ভেটি গঢ়াত সফল হোৱা আৰু বহুজনক তেওঁৰ সহজ ইলেকট্ৰনিকছৰ উৎপাদিত সামগ্ৰীৰে উপকৃত কৰা বাবে কৌশিক হাজৰিকাক উদ্যোগীকৰণ তথা উদ্ভাৱকৰ শিতানত, টাই আহোম সংগীতৰ স্বকীয় ঐতিহ্যক আগুৱাই নিয়াৰ ক্ষেত্ৰত অহৰহ প্ৰচেষ্টা চলাই যোৱাৰ বাবে জ্যোতিমালা বুঢ়াগোহাঁইক সাংস্কৃতিক ক্ষেত্ৰত, সাংবাদিকতাৰ ক্ষেত্ৰত আগবঢ়াই অহা অৱদানৰ বাবে 'দৈনিক অগ্ৰদূত' কাকত আৰু ডি ৱাই-৩৬৫ৰ সাংবাদিক তথা 'বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ' সম্পাদক ৰাতুল বুঢ়াগোহাঁইক প্ৰদান বঁটা প্ৰদান কৰিব। অহা পহিলা জানুৱাৰীত দিনৰ ২ বজাত বগীবিলৰ কাঞ্চনজংঘা বাককৰিত উক্ত আটাইকেইটা শিতানত বঁটাসমূহ প্ৰদান কৰা হ'ব বুলি সমাজকৰ্মী তথা কাঞ্চন জংঘাৰ স্বত্বাধিকাৰী গৌতম বৰদলৈয়ে জানিবলৈ দিয়ে। উল্লেখ্য যে বিশিষ্ট সাংবাদিক, সমাজকৰ্মী প্ৰয়াত হেৰম্ব বৰদলৈৰ জ্যেষ্ঠপুত্ৰ গৌতম বৰদলৈয়ে চীন দেশত অভিযন্তা ৰূপে কাৰ্যনিৰ্বাহ কৰি আছিল যদিও মহামাৰী ৰূপ ধাৰণ কৰা ক'ভিডকালীন পৰিস্থিতি বাবে চীনৰ পৰা নিজগৃহ ভূমিলৈ ঘূৰি আহিছিল। তেওঁ নিজৰ গৃহজিলাত ব্যক্তিগতভাৱে বিভিন্ন সমাজসেৱামূলক কামত জড়িত হৈ পৰাৰ লগতে নিজৰ সাচতীয়া ধনেৰে চীনৰ হংকঙৰ আৰ্হিত এটা অত্যাধুনিক পথ নিৰ্মাণ কৰি সমগ্ৰ দেশত চৰ্চা লাভ কৰিছিল। পৰৱৰ্তী সময়ত তেওঁ বগীবিল দলঙৰ সমীপত ব্ৰহ্মপুত্ৰৰ বালিচৰ সেউজীয়া কৰি 'কাঞ্চনজংঘা' নামৰ ওপজা ৰেষ্টুৰেণ্টৰ জৰিয়তে নদী পৰ্যটনৰ ক্ষেত্ৰত এক নতুন বাট মুকলি কৰিবলৈ সক্ষম হৈছিল। চাৰি বছৰৰ পূৰ্বে অসমৰ নৱপ্ৰজন্মৰ হাৰ্টথ্ৰব জুবিন গাৰ্গে শুভ উদ্বোধন কৰা উক্ত কাঞ্চনজংঘাত বহুতো নিবনুৱাই কৰ্ম সংস্থাপন লাভ কৰাৰ লগতে দেশ-বিদেশৰ বহু পৰ্যটকে ব্ৰহ্মপুত্ৰৰ নৈসৰ্গিক দৃষ্টিনন্দন দৃশ্য উপভোগ কৰিবলৈ সুযোগ লাভ কৰিছে। এই কাঞ্চনজংঘাৰ জৰিয়তে আগন্তুক বৰ্ষৰ পৰা সমাজৰ বিভিন্ন ক্ষেত্ৰত অহোপুৰুষাৰ্থ কৰি অহা বিশিষ্ট ব্যক্তিলৈ তেওঁৰ নিজস্ব প্ৰচেষ্টাৰে বঁটা প্ৰদান কৰি উৎসাহিত কৰাৰ প্ৰচেষ্টাক সকলোৱে শলাগ লয়।

# যোৰহাট জিলাত ৰাষ্ট্ৰীয় লোক আদালত সম্পন্ন, ২১২৫ টা গোচৰ নিষ্পত্তি

**ই-সংবাদ, যোৰহাট, ১৪ ডিচেম্বৰঃ** সমগ্ৰ দেশৰ লগতে আজি যোৰহাট জিলাতো জিলা আইন সেৱা প্ৰাধিকৰণৰ উদ্যগত যোৰহাট জিলাত ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত কৰা হয়। যোৰহাট জিলা ন্যায়িক আদালত আৰু তিতাবৰ মহকুমা ন্যায়িক আদালতৰ লগতে যোৰহাট জিলাৰ উপায়ুক্ত কাৰ্যালয়ৰ কাৰ্যবাহী দণ্ডাধীশৰ আদালত আৰু ৰাজহ বিভাগত এই লোক আদালত সম্পন্ন হয়। এই আদালতত বিভিন্ন বাদযোগ্য ফৌজদাৰী তথা দেৱানী গোচৰ, চেক বাউন্স গোচৰ, মটৰ গাড়ী আইন আদিৰ লগতে বিভিন্ন বেংক, বিদ্যুৎ বিভাগ, বিএছএনএল আদিৰ প্ৰায় ২১২৫ টা গোচৰ নিষ্পত্তি কৰা হয়। এই ৰাষ্ট্ৰীয় লোক আদালতত বিভিন্ন বেংক, বিদ্যুৎ বিভাগ, বিএছএনএল আদিৰ প্ৰায় দুই কোটি তেপন্ন লক্ষাধিক টকাৰ অনাদায় ঋণ, বিল আদি নিষ্পত্তি কৰা হয় আৰু এক কোটি আঠছল্লিছ লক্ষাধিক টকাৰ আদালতৰ গোচৰ নিষ্পত্তি কৰা হয়। যোৰহাট জিলা আইন সেৱা প্ৰাধিকৰণৰ তত্বাৱধানত অনুষ্ঠিত হোৱা এই ৰাষ্ট্ৰীয় লোক আদালতত সৰ্বমুঠ চাৰি কোটি দুই লক্ষাধিক টকাৰ গোচৰ মীমাংসা কৰা হয়। যোৰহাট জিলা আইন সেৱা প্ৰাধিকৰণৰ সচিব তথা ন্যায়িক বিষয়া দেৱজ্যোতি ভুঞাই ৰাইজক প্ৰাধিকৰণৰ দ্বাৰা অনুষ্ঠিত হোৱা লোক আদালতৰ সুবিধা গ্ৰহণ কৰি নিজৰ বিবাদসমূহ আপোচ মীমাংসা কৰিবৰ বাবে আহ্বান জনায়।

# নামতিত শিৱসাগৰ জিলা সাহিত্য সভাৰ জিলা কাৰ্যনিৰ্বাহক সভা সম্পন্ন, 'বৰ্ণাভ' শীৰ্ষক গ্ৰন্থ উন্মোচন

**ই-সংবাদ, আমগুৰি, ১৪ ডিচেম্বৰঃ** শিৱসাগৰ জিলা সাহিত্য সভাৰ বৰ্ধিত কাৰ্যনিৰ্বাহক বৈঠক আজি নামতি পিয়লি ফুকন শাখা সাহিত্য সভাৰ আতিথ্যত নামতি মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। নামতি শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ অধ্যক্ষ ধ্ৰুৱজ্যোতি নাথে উদ্বোধন কৰা কাৰ্যনিৰ্বাহক বৈঠকখন শিৱসাগৰ জিলা সাহিত্য সভাৰ সভাপতি ড০ নিৰুপমা মহন্তৰ পৌৰোহিত্যত অনুষ্ঠিত হয়। বৈঠকখনত উদ্দেশ্য ব্যাখ্যা কৰে জিলা সম্পাদক সন্তোষ দত্তই। উক্ত বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰাৰ লগতে শিৱসাগৰ জিলা সাহিত্য সভাৰ নৱনিৰ্মীত গৃহ নিৰ্মাণ সমিতিয়ে হিচাপৰ প্ৰতিবেদন দাখিল কৰে। লগতে অহা ২৭ ডিচেম্বত নৱনিৰ্মিত গৃহটি উদঘাটন কৰা হ'ব বুলি সম্পাদকে ঘোষণা কৰে। তাৰ পাছত কৰ্ণধাৰ সমিতিয়ে লোৱা প্ৰস্তাৱ অনুসৰি আগন্তুক নৱ-নিৰ্বাচিত উপ-সভাপতি আৰু সম্পাদকক লগত লৈ গৃহ নিৰ্মাণ উপ-সমিতিত অন্তৰ্ভুক্ত কৰি পূৰ্বৰ সমিতিখনকে বাহাল ৰাখি সভাই গ্ৰহণ কৰে। তদুপৰি শিৱসাগৰ জিলা সাহিত্য সভাৰ দ্বি-বাৰ্ষিক অধিৱেশনৰ অগ্ৰগতি খতিয়ান আগবঢ়ায় উদযাপন সমিতিৰ মুখ্য সম্পাদক মনোজ কুমাৰ গগৈয়ে। আনহাতে, কাৰ্যসূচী অনুসৰি শিৱসাগৰ জিলা সাহিত্য সভা(২০২৫-২৭বৰ্ষ)ৰ উপ-সভাপতি আৰু সম্পাদকৰ পদৰ ফলাফল ঘোষণাৰ কৰিব বাবে নিৰ্বাচন সমিতিক দায়িত্ব অৰ্পণ কৰা হয়। অৱশেষত উপ-সভাপতি পদৰ বাবে অনন্ত বৰুৱা আৰু ড০ জীৱন কলিতা মাজত হোৱা প্ৰতিদ্বন্দ্বিতাত ড০ জীৱন কলিতা বিজয়ী হয়। আনহাতে, সম্পাদকৰ বাবে জীৱমণি নাথ আৰু মনোজ কুমাৰ গগৈ মাজত হোৱা প্ৰতিদ্বন্দ্বিতাত মনোজ কুমাৰ গগৈক বিজয়ী ঘোষণা কৰে। উক্ত সভাতে ড০ নিৰুপমা মহন্তই দেৱযানী মহন্তৰ 'বৰ্ণাভ' শীৰ্ষক গ্ৰন্থ উন্মোচন কৰে।

# হাজো আঞ্চলিক চৰকাৰী এনপিএছ কৰ্মচাৰী সংস্থা গঠন

**ই-সংবাদ, শুৱালকুছি আৰু হাজো, ১৪ ডিচেম্বৰঃ** সদৌ অসম চৰকাৰী এন পি এছ কৰ্মচাৰী সংস্থাৰ কামৰূপ জিলা সমিতিৰ অন্তৰ্গত হাজো আঞ্চলিক চৰকাৰী এন পি এছ কৰ্মচাৰী সংস্থা নামেৰে এখন এন পি এছ কৰ্মচাৰী সংস্থাৰ আঞ্চলিক সমিতি গঠন কৰা হয়। আজি কামৰূপ জিলা চৰকাৰী এন পি এছ কৰ্মচাৰী সংস্থাৰ উপ-সভাপতি তথা স্বাস্থ্য বিভাগৰ কৰ্মচাৰী ফণীধৰ শৰ্মাৰ সভাপতিত্বত হাজো উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষ্ণুৰাম মেধি প্ৰেক্ষাগৃহত হাজো অঞ্চলৰ বিভিন্ন বিভাগৰ চৰকাৰী শিক্ষক-কৰ্মচাৰীৰ এখন সাধাৰণ সভা অনুষ্ঠিত হৈ যায়। সভাত এন পি এছ আৰু ইউ পি এছ বাতিল কৰি অ' পি এছ বাহাল ৰাখিবলৈ দাবী জনায়। সভাত সদৌ অসম চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় কৰ্মচাৰী সংস্থাৰ সভাপতি ৰমেন ভৰালী উপস্থিত থাকি এন পি এছ আৰু ইউ পি এছ আঁচনি বাতিল কৰি অ' পি এছ বাহাল ৰাখিবলৈ দাবী জনায় আৰু চৰকাৰী কৰ্মচাৰীসকলক নিৰাপত্তা দিবলৈ দাবী জনায়। তেওঁ ভাষণ প্ৰসংগত এন পি এছ কৰ্মচাৰীসকলক নিজৰ প্ৰাপ্ত দাবীৰ বাবে একগোট হ'বলৈ আহ্বান জনায়। সভাত কামৰূপ জিলা চৰকাৰী এনপি এছ কৰ্মচাৰী সংস্থাৰ জিলা সমিতিৰ সাধাৰণ সম্পাদক দীপক কলিতা, জিলা সমিতিৰ কোষাধ্যক্ষ দুৰ্লভ ভট্ট, জিলা সমিতিৰ সাংগঠনিক সম্পাদক অনিল কুমাৰ পাঠক আদি উপস্থিত থাকি এন পি এছ আৰু ইউ পি এছ আঁচনি বাতিল কৰিবলৈ দাবী জনায়। উক্ত সভাতে হাজো আঞ্চলিক চৰকাৰী এন পি এছ কৰ্মচাৰী সংস্থাৰ সভাপতি হিচাপে শিক্ষক ছাইফুদ্দিন আহমেদ, কাৰ্যকৰী সভাপতি হিচাপে শিক্ষয়িত্ৰী গীতিকা দাস, সাধাৰণ সম্পাদক হিচাপে শিক্ষক দিপনুৰ জামানক লৈ এখন শক্তিশালী হাজো আঞ্চলিক চৰকাৰী এনপিএছ কৰ্মচাৰী সংস্থা গঠন কৰা হয়।

# জাগীৰোডৰ আমলিঘাটৰ পৰা সন্ধানহীন এজন লোক

**ই-সংবাদ, জাগীৰোড, ১৪ ডিচেম্বৰঃ** আজিও সন্ধান নাই জাগীৰোডৰ আমলিঘাটৰ পৰা নিৰুদ্দেশ হোৱা দিনেশ অধিকাৰী নামৰ লোকজনৰ। বিগত ৯ ডিচেম্বৰৰ পৰা নিৰুদ্দেশ হৈ আছে ভাই ভাই দুগ্ধ সমবায় সমিতিৰ সম্পাদকৰ দায়িত্বত থকা ৫৪ বছৰীয়া লোকজন। তদুপৰি বন্ধ হৈ আছে লোকজনৰ হাতত থকা ম'বাইল ফোনটোও। আনহাতে, ৰহস্যজনকভাৱে লোকজনৰ মটৰ চাইকেলখন





উদ্ধাৰ হৈছে আমলিঘাটৰ এটা মথাউৰিত। ৯ ডিচেম্বৰৰ পৰা বহু বিচাৰ-খোচাৰ কৰিও পৰিয়ালৰ লোকে কোনো সন্ধান পোৱা নাই লোকজনৰ। যাৰ বাবে এতিয়া চিন্তিত হৈ পৰিছে পৰিয়ালৰ লগতে আত্মীয় লোকসকল। ঘটনা সন্দৰ্ভত পৰিয়ালৰ লোকে জাগীৰোড আৰক্ষীক অৱগত কৰে। পৰিয়ালৰ খবৰৰ ভিত্তিত ইতিমধ্যে জাগীৰোড আৰক্ষীয়ে অব্যাহত ৰাখিছে তদন্ত। যদি কোনো সদাশয় ব্যক্তিয়ে লোকজনৰ সন্ধান পায় তেনেহ'লে 6901819581 নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে দুৰ্ভগীয়া পৰিয়ালটোৱে।

# ডুমডুমাত বিজেপিৰ কেইবা সহস্ৰাধিক কৰ্মী-সমৰ্থকে আদৰিলে মন্ত্ৰী ৰূপেশ গোৱালাক

**ই-সংবাদ, ডুমডুমা, ১৪ ডিচেম্বৰঃ** তিনিচুকীয়া জিলাৰ ৮২ নং ডুমডুমা বিধানসভা সমষ্টিৰ যুৱ বিধায়ক ৰূপেশ গোৱালাই অতি শেহতীয়াকৈ ড° হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ মন্ত্ৰীসভাত স্থান লাভ কৰি শনিবাৰে প্ৰথমবাৰৰ বাবে গৃহ জিলাত উপস্থিত হয়। শ্ৰমিক কল্যাণ, চাহ জনজাতি আৰু আদিবাসী কল্যাণ আৰু গৃহ (কাৰাগাৰ, গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা) বিভাগৰ নৱনিযুক্ত মন্ত্ৰী ৰূপেশ গোৱালাই আজি গৃহ জিলাত উপস্থিত হৈ তিনিচুকীয়াৰ বৰগুৰিস্থিত জিলা সমিতিৰ কাৰ্য্যালয় (অটল বিহাৰী বাজপেয়ী ভৱন)ত অনুষ্ঠিত এক সম্বৰ্ধনা অনুষ্ঠানত অংশগ্ৰহণ কৰে। অনুষ্ঠানত মন্ত্ৰীগৰাকীক বহুসংখ্যক দলীয় নেতা-কৰ্মী তথা সমৰ্থকে উষ্ম আদৰণি জনায়। তাৰ পিছত মন্ত্ৰী গোৱালাই নিজ গৃহ সমষ্টি ডুমডুমা অভিমুখী যাত্ৰাত গৃহ সমষ্টি বৰহাপজানৰ পৰা দুই শতাধিক দলীয় কৰ্মী-সমৰ্থকে এক বৃহৎ মটৰচাইকেল ৰেলীৰে ডুমডুমালৈ আগবঢ়াই আনে। ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ ডুমডুমা পথাৰ গাঁৱত কনভয়ৰ পৰা নমা মন্ত্ৰীগৰাকীক দলীয় নেতা-কৰ্মী- সমৰ্থকে পুষ্পবৃষ্টিৰে পথৰ ওপৰতে আদৰা পৰিলক্ষিত হ'য়। ডুমডুমা নগৰৰ উচামাটিৰ পৰা বিভিন্ন সাংস্কৃতিক দলে পদব্ৰজে ডুমডুমা নগৰ খেলপথাৰলৈ মন্ত্ৰীগৰাকীক আদৰি আনে। ডুমডুমা নগৰ খেলপথাৰত আয়োজন কৰা এক বিশাল ৰাজহুৱা সম্বৰ্ধনা অনুষ্ঠানত ডুমডুমা পৌৰসভা, ডুমডুমা (শতদল) শাখা সাহিত্য সভা, জ্যেষ্ঠ নাগৰিক সংস্থা, ডুমডুমা প্ৰেছ ক্লাব, ৰূপাই (শতদল) শাখা সাহিত্য সভা, ডুমডুমা নাট্য আৰু পূজা সমিতি, ডুমডুমা মহাবিদ্যালয়, হুনলাল উচ্চতৰ মাধ্যমিক বিদ্যালয়, লোক নিৰ্মাণ বিভাগ, তিনিচুকীয়া জিলা ঠিকাদাৰ সস্থা, ডুমডুমা লেখিকা সমাৰোহ সমিতি, টিপুক সমবায় সমিতি, চাহ জনজাতি জাতীয় মহাসভা, চাহ জনজাতি আদিবাসী



কল্যাণ সমিতি, চেম্বাৰচ অৱ কমাৰ্চ, ডুমডুমা ক্ৰীড়া সস্থা, আটছা, আদিবাসী মহিলা শক্তি, অসম চাহ মজদুৰ সংঘকে আদি কৰি অৰ্ধশতাধিক দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানে মন্ত্ৰীগৰাকীক গামোচা-চেলেং, ফুলৰ থোপা, শৰাই, সম্বৰ্দ্ধনা পত্ৰ আদিৰে বিপুল সম্বৰ্ধনা জনায়। সম্বৰ্ধনা গ্ৰহণ কৰি মন্ত্ৰী ৰূপেশ গোৱালাই আৱেগিক হৈ পৰাৰ লগতে তেওঁৰ ওপৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰখা আস্থা আৰু বিশ্বাসৰ বাবে মুখ্যমন্ত্ৰীগৰাকীক কৃতজ্ঞতা প্ৰকাশ কৰে। মন্ত্ৰী হিচাপে তেওঁৰ ওপৰত ন্যস্ত কৰা বিভাগ সমূহৰ উন্নয়নৰ বাবে তেওঁ সৰ্বতো প্ৰকাৰৰ চেষ্টা চলাই যাব বুলিও উল্লেখ কৰে মন্ত্ৰী গোৱালাই। সম্বৰ্ধনা অনুষ্ঠানত ডুমডুমা পৌৰসভাৰ পৌৰপতি কান্তা ভট্টাচাৰ্য, উপ-পৌৰপতি মণি দত্ত, ডুমডুমা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলেশ্বৰ কলিতা, প্ৰাক্তন তথা বিশিষ্ট সাংবাদিক অৰ্জুন বৰুৱা, বিশিষ্ট শিক্ষাবিদ-সমাজকৰ্মী ক্ৰমে প্ৰকাশ দত্ত, মৃগেণ শইকীয়া, বিশিষ্ট চিকিৎসক তথা সমাজকৰ্মী ডাঃ প্ৰণৱজ্যোতি ডেকা, সমাজকৰ্মী ললিত গগৈ, কিষাণলাল পাৰিক, দিলীপ প্ৰসাদ, মৰাণ স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য অৰুণজ্যোতি মৰাণ, সমাজকৰ্মী বীৰেণ কৈৰী প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট তথা গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। ইয়াৰ পাছতেই ডুমডুমা মাৰোৱাৰী পঞ্চায়তী ভৱনত আয়োজিত এক সম্বৰ্দ্ধনা অনুষ্ঠানত দলৰ তৰফৰ পৰা মন্ত্ৰীগৰাকীক অভিনন্দন আৰু সম্বৰ্ধনা জনোৱা হয়। উল্লেখ্য যে, ২০২১ চনৰ বিধানসভা নিৰ্বাচনত ১২৫ নং ডুমডুমা বিধানসভা সমষ্টিৰ পৰা অসম বিধানসভালৈ প্ৰথমবাৰৰ বাবে নিৰ্বাচিত হোৱা যুৱ বিধায়ক ৰূপেশ গোৱালাক বিধায়ক হিচাপে প্ৰথমটো কাৰ্যকালতেই মুখ্যমন্ত্ৰী ড° শৰ্মাই মন্ত্ৰী সভাত স্থান দিয়া ৰূপেশ গোৱালাক শ্ৰমিক কল্যাণ, চাহ জনজাতি আৰু আদিবাসী কল্যাণ, গৃহ (কাৰাগাৰ, গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা) বিভাগৰ দায়িত্ব অৰ্পণ কৰাৰ লগতে গোলাঘাট আৰু ডিমা হাছাও জিলাৰ অভিভাৱক মন্ত্ৰীৰ দায়িত্বও দিয়া হৈছে।

# চাবুৱাৰ কংগ্ৰেছ নেত্ৰী জয়ন্তী চাহুৰ অসম গণ পৰিষদত যোগদান

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ১৪ ডিচেম্বৰঃ** ২০২৬ৰ বিধানসভা নিৰ্বাচনলৈ এতিয়াৰে পৰা প্ৰস্তুতি আৰম্ভ কৰিছে অসম গণ পৰিষদ দলে। চাবুৱা সমষ্টিতো আৰম্ভ হৈছে তৎপৰতা। এই অনুযায়ী দেশৰ ভিতৰত শ্ৰেষ্ঠ বিধায়কৰ সন্মান লাভ কৰাৰ পিছতেই চাবুৱা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱাৰ কাম-কাজৰ প্ৰতি আকৃষ্ট হৈ অসম গণ পৰিষদত যোগদান কৰিছে বিভিন্ন ৰাজনৈতিক দলৰ নেতা-নেত্ৰীৰ লগতে বিশিষ্ট ব্যক্তিসকল। পানীতোলা ব্লক মহিলা কংগ্ৰেছৰ সভানেত্ৰী, পানীতোলা আঞ্চলিক পঞ্চায়তৰ প্ৰাক্তন সভানেত্ৰী আৰু জেৰাই গাঁও পঞ্চায়তৰ প্ৰাক্তন সভানেত্ৰী জয়ন্তী চাহুৱে অসম গণ পৰিষদ দলত আজি আনুষ্ঠানিকভাৱে যোগদান কৰে। চাবুৱা-লাহোৱাল সমষ্টিৰ অগপৰ কাৰ্য্যালয়ত চাবুৱা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱাৰ উপস্থিতিত জয়ন্তী চাহুৱে অসম গণ পৰিষদ দলত যোগদান কৰে। আঞ্চলিকতাবাদত বিশ্বাসী অগপ কেন্দ্ৰীয় সাধাৰণ সম্পাদক তথা চাবুৱাৰ বিধায়ক পোনাকণ বৰুৱাৰ কাম-কাজ, ভদ্ৰতা, নম্ৰতাৰ প্ৰতি আকৃষ্ট হৈ জয়ন্তী চাহুৱে অসম গণ পৰিষদ দলত যোগদান কৰে বুলি জানিবলৈ দিছে। উক্ত যোগদান কাৰ্যসূচীত অগপ চাবুৱা-লাহোৱাল সমষ্টিৰ সভাপতি কৃষ্ণানন্দ দুৱৰা, কাৰ্যকৰী সভাপতি নিপুল কোঁৱৰ, সম্পাদক বিনোদ বুঢ়াগোহাঁই, মটক স্বায়ত্ত শাসিত পৰিষদৰ সদস্য বিমল বৰুৱাৰ লগতে জ্যেষ্ঠ নেতাসকল উপস্থিত থাকে।

# ৰূপজ্যোতি গগৈলৈ ৰাষ্ট্ৰীয় ফেল'শ্বিপ বঁটা

**ই-সংবাদ, পশ্চিম যোৰহাট, ১৪ ডিচেম্বৰঃ** ভাৰতীয় দলিত সাহিত্য একাডেমীয়ে যোৰহাটৰ সৰুচৰাই ঘৰফলীয়া গাঁৱৰ নিবাসী, সমাজ সেৱক তথা ৬৭২নং পাখিমাৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰূপজ্যোতি গগৈক যোৱা ৮ ডিচেম্বৰত নতুন দিল্লীৰ পঞ্চশীল আশ্ৰম প্ৰাংগণত অনুষ্ঠিত সাহিত্য একাডেমীৰ ৪০সংখ্যক ৰাষ্ট্ৰীয় লেখক-লেখিকাৰ সন্মিলনত ড° বি. আৰ.আম্বেদকাৰ নেচনেল ফেল'শ্বিপ বঁটা প্ৰদান কৰে। সাহিত্য একাডেমীয়ে বিশিষ্ট সমাজকৰ্মী তথা শিক্ষক ৰূপজ্যোতি গগৈক এই বঁটা প্ৰদান কৰাত যোৰহাটৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে অভিনন্দন জনাইছে। উল্লেখ্য যে পশ্চিম যোৰহাটৰ নৃত্যাংগনা কলাকেন্দ্ৰৰ বৰ্তমানৰ সভাপতি ৰূপজ্যোতি গগৈ।

# ৰামদিয়াৰ বিদ্যুৎ বিভাগৰ কাৰ্যালয়ত ভয়ংকৰ অগ্নিকাণ্ড



**ই-সংবাদ, হাজো, ১৪ ডিচেম্বৰঃ** হাজো বিদ্যুৎ উপ-সংমণ্ডলৰ অন্তৰ্গত ৰামদিয়া বিদ্যুৎ বিভাগৰ কাৰ্যালয়ত আজি পুৱা প্ৰায় পাঁচ মান বজাত সংঘটিত হয় এক ভয়ংকৰ অগ্নিকাণ্ডৰ ঘটনা। এটা প্ৰকাণ্ড শব্দ আৰু লগে লগে জুইয়ে আৱৰি ধৰে বিদ্যুৎ বিভাগৰ কাৰ্যালয়টো। লগে লগে কাৰ্যালয়টোত থকা কৰ্মচাৰীয়ে হাজো অগ্নি নিৰ্বাপক বাহিনীৰ লগত যোগাযোগ কৰে যদিও অগ্নি নিৰ্বাপক বাহিনী পলমকৈ উপস্থিত হোৱাত সম্পূৰ্ণ কাৰ্যালয়টো জুইত ভস্মীভূত হয়। স্থানীয় ৰাইজ তথা বিদ্যুৎ বিভাগৰ কৰ্মচাৰীয়ে কৰা অভিযোগ অনুসৰি হাজোত থকা অগ্নি নিৰ্বাপক বাহিনী প্ৰায় চল্লিশ মিনিট পলমকৈ উপস্থিত হোৱাৰ ফলতেই ক্ষয়-ক্ষতিৰ পৰিমাণ বেছি হয়। অৱশেষত স্থানীয় ৰাইজ আৰু অগ্নি নিৰ্বাপক বাহিনীৰ প্ৰচেষ্টাত জুই নিৰ্বাপিত হয় যদিও জুইত জাহ যায় কাৰ্যায়লটোৰ ভালেসংখ্যক বৈদ্যুতিক সামগ্ৰী। স্থানীয় ৰাইজ তথা বিদ্যুৎ বিভাগৰ কৰ্মচাৰীয়ে সন্দেহ কৰা অনুসৰি বৈদ্যুতিক বিজুতিৰ বাবেই এই ভয়ংকৰ অগ্নিকাণ্ড সংঘটিত হৈছে। উল্লেখ্য যে এই ভয়ংকৰ অগ্নিকাণ্ডৰ ঘটনাত কাৰ্যালয়টোৰ দ্বায়িত্বত থকা তিনিজনকৈ কৰ্মচাৰী কথমপি ৰক্ষা পৰে।

# আলফাৰ নামত ধন বিচাৰি মাজুলীত ধৰা পৰিল যুৱক

**ই-সংবাদ, মাজুলী, ১৪ ডিচেম্বৰঃ** মাজুলীৰ সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ গৃহ নিৰ্মাণৰ তত্বাৱধায়কক আলফাৰ নামত ধন দাবী কৰি গ্ৰেপ্তাৰ হ'ল ধ্ৰুৱজ্যোতি নাথ নামৰ এজন যুৱক। ঘটনা অনুসৰি মাজুলীৰ সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ নৱ-নিৰ্মিত গৃহ নিৰ্মাণৰ লগত জড়িত থকা তত্বাৱধায়কক আলফাৰ নামত প্ৰায় ২৫লাখ টকা দাবী কৰিছিল মাজুলীৰ পুৱণিবাৰীৰ ধ্ৰুৱজ্যোতি নাথে। এই সম্পৰ্কত নিৰ্মাণ কাৰ্যত জড়িত থকা বিষয়াজনে গড়মূৰ আৰক্ষীক সকলো কথা অৱগত কৰাত গড়মূৰ আৰক্ষীয়ে অনুসন্ধান চলাই শনিবাৰে সন্ধিয়া পুৱণিবাৰীৰ ধ্ৰুৱজ্যোতি নাথক গ্ৰেপ্তাৰ কৰে। বাতৰি লিখা পৰলৈকে সবিশেষ তথ্য লাভ কৰা নাই যদিও গড়মূৰ আৰক্ষী থানাত ধ্ৰুৱজ্যোতি নাথক সোধা-পোছা অব্যাহত ৰাখিছে আৰক্ষীয়ে।

## নেদেখাজনৰ ওচৰত প্ৰাৰ্থনা, মুখ্যমন্ত্ৰীকো কাতৰ আহ্বান ৰাইজৰ

# ব্ৰহ্মপুত্ৰ-বেঁকীৰ খহনীয়াত বিধ্বস্ত কলগাছিয়াৰ কিছুমত মইনবৰী

**ই-সংবাদ, কলগাছিয়া, ১৪ ডিচেম্বৰঃ** বৰপেটা জিলাৰ কলগাছিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত কিছুমত মইনবৰীত শ শ পৰিয়ালৰ ভেটি-মাটি উছন হৈছে বেকী নদীৰ গৰাখহনীয়াত। কলগাছিয়াৰ কিছুমত মইনবৰীত বৰ্তমানেও ব্ৰহ্মপুত্ৰ আৰু বেঁকী নৈৰ বিধ্বংসী গৰাখহনীয়া অব্যাহত আছে। গৃহহীন হৈছে বহু পৰিয়াল। নৈত জাহ গ'ল পকী ৰাস্তা-ঘাট, কৃষিভূমি আৰু শিক্ষা অনুষ্ঠান। কিন্তু খবৰ ল'বলৈ আহৰি নাই জনপ্ৰতিনিধি কিম্বা বৰপেটা জিলা প্ৰশাসনৰ। খহনীয়া প্ৰতিৰোধৰ ক্ষেত্ৰত সাংসদ, মন্ত্ৰী আৰু বিধায়কৰ নীৰৱ ভুমিকাত ক্ষোভ প্ৰকাশ কৰে ভুক্তভোগী ৰাইজে। চৰকাৰ তথা প্ৰশাসনে কোনো গুৰুত্ব নিদিয়াৰ ফলত ব্ৰহ্মপুত্ৰ আৰু বেঁকী নৈৰ খহনীয়াই কালৰূপ ধাৰণ কৰি এক সপ্তাহৰ ভিতৰত কেইবাটাও পৰিয়ালৰ ঘৰ-ভেটি উছন কৰাৰ লগতে আন কেইবাটাও পৰিয়াললৈ কঢ়িয়াই আনিছে তীব্ৰ ভাবুকি। খহনীয়া প্ৰতিৰোধ নকৰিলে মইনবৰী, কিছমত মইনবৰী, জয়পুৰ, তাৰাকান্দি, ডাকালীয়াপাৰা, চিকাটাৰী, চতলাকে ধৰি বৃহত্তৰ অঞ্চল খহনীয়াৰ কবলত পৰিব বুলি আশংকা কৰি উপায়ন্তৰ হৈ শুকুৰবাৰীয়া জুমাৰ নামাজ আদায় কৰি ব্ৰহ্মপুত্ৰ আৰু বেকী নৈৰ পাৰত নেদেখাজনৰ ওচৰত প্ৰাৰ্থনা কৰে ভুক্তভোগী স্থানীয় ৰাইজে। লগতে শীঘ্ৰে খহনীয়া প্ৰতিৰোধ কৰিবলৈ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ ওচৰত কাতৰ আহ্বান জনাইছে ভুক্তভোগী ৰাইজে।



কামপুৰ কামেশ্বৰ বৰঠাকুৰ মজলীয়া বিদ্যালয়ত প্ৰাক্তন শিক্ষাৰ্থী সমাৰোহত বিশিষ্ট সাংবাদিক প্ৰকাশ মহন্ত

# কামপুৰ কামেশ্বৰ বৰঠাকুৰ মজলীয়া বিদ্যালয়ত প্ৰাক্তন শিক্ষাৰ্থী সমাৰোহ সম্পন্ন

**ই-সংবাদ, কামপুৰ, ১৪ ডিচেম্বৰঃ** নগাঁও জিলাৰ কামপুৰ কামেশ্বৰ বৰঠাকুৰ মজলীয়া বিদ্যালয়ত আজিৰ পৰা আৰম্ভ হৈছে দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে প্ৰাক্তন শিক্ষাৰ্থী সমাৰোহ। ১২৮ বছৰীয়া ইতিহাসেৰে সমৃদ্ধ বিদ্যালয়খনৰ শিক্ষাৰ্থী সমাৰোহৰ প্ৰথম দিনটোৰ প্ৰথম কাৰ্যসূচীত পুৱা ন বজাত মুহি লস্কৰে বন্তি প্ৰজ্বলন কৰে। স্মৃতি তৰ্পণ কৰে ৰঞ্জিত মালাকাৰে। প্ৰবীণ শিক্ষাবিদ সুধাময় দাসে পতাকা উত্তোলন কৰাৰ পিছতেই বিদ্যালয়ৰ গীত পৰিৱেশন কৰি পতাকা উত্তোলন কৰে প্ৰধান শিক্ষক ডিম্বেশ্বৰ বৰাই। ঐতিহ্যপূৰ্ণ বিদ্যালয়খনৰ পূৰ্বৰ গীত-মাত, প্ৰাৰ্থনা পৰিৱেশন কৰাৰ পিছতেই এটি বৰগীতেৰে মঞ্চ মুকলি কৰা হয়। প্ৰাক্তন শিক্ষাৰ্থীসকলৰ অন্তৰংগ আলাপ অনুষ্ঠানটি মুকলি কৰি সুন্দৰ বক্তৃতা প্ৰদান কৰে প্ৰাক্তন শিক্ষাৰ্থী তথা প্ৰাক্তন সাংসদ জয়ন্ত ৰংপীয়ে। দুপৰীয়া আহাৰ বিৰতিৰ আগে পিছে অৰ্ধ শতাধিক প্ৰাক্তন শিক্ষাৰ্থীয়ে বিদ্যালয়খনৰ অতীত ৰোমন্থন কৰি চমুকৈ বক্তব্য ৰাখে। সুধাময় দাসৰ সঞ্চালনাত অনুষ্ঠিত হোৱা মুকলি সভাত 'অসমীয়া প্ৰতিদিন' কাকতৰ সহযোগী সম্পাদক প্ৰকাশ মহন্তই 'কৰতল' নামৰ এখনি স্মৃতিগ্ৰন্থ উন্মোচন কৰে। স্মৃতিগ্ৰন্থ উন্মোচন কৰি শিক্ষাক জীৱন ব্যাপি চলা এক প্ৰক্ৰিয়া আৰু শিক্ষকসকলক মানুহ গঢ়াৰ কাৰিকৰ বুলি উল্লেখ কৰে। গুৰু ব্ৰহ্মা, গুৰু বিষ্ণু আৰু গুৰু মহেশ্বৰ এই তিনিটা মহান শব্দৰ আঁত ধৰি তাহানিৰ শিক্ষা সন্দৰ্ভত এক বিশ্লেষণ দাঙি ধৰি কামপুৰৰ শিক্ষা জগতৰ বিষয়ে ব্যাখ্যা আগবঢ়ায় প্ৰকাশ মহন্তই। শিক্ষক-শিক্ষয়িত্ৰীৰ মাজত কোনো জাতি-ভেদ প্ৰথা যে নাথাকে সেই কথাটো কামপুৰ কামেশ্বৰ বৰঠাকুৰ মজলীয়া বিদ্যালয়ত নামভৰ্তি কৰাৰ দিনটোতেই শিকিছিল বুলি জ্যেষ্ঠ সাংবাদিক প্ৰকাশ মহন্তই উল্লেখ কৰে। তদুপৰি উক্ত বিদ্যালয়ৰ পৰা পঢ়ি যোৱা প্ৰাক্তন শিক্ষাৰ্থীসকলৰ স্মৃতি জীয়াই ৰখাৰ পোষকতা কৰি কামপুৰ, কঠীয়াতলি, বঢ়মপুৰ অঞ্চলৰ শিক্ষা জীৱনৰ বিষয়ে বক্তৃতা দাঙি ধৰি উক্ত বিদ্যালয়ত নবীন সংস্কৰণেৰে স্মৃতি জীপাল কৰি ৰাখিবলৈ সকলোকে আহ্বান জনায় প্ৰকাশ মহন্তই। মানুহক কেৱল খাই বৈ জীয়াই থাকিবলৈ ভগৱানে এই ধৰালৈ পঠিওৱা নাই, আমি নৈতিকতাৰ শিক্ষাৰে শিক্ষিত হৈ সকলো শ্ৰেণীৰ মানুহৰ অন্ন-বস্ত্ৰ আৰু বাসস্থানৰ লগত জড়িত হৈ কিছু পৰিমাণে হ'লেও সমাজ সেৱা কৰিব লাগে বুলি উল্লেখ কৰি মাতৃয়েই শ্ৰেষ্ঠ শিক্ষক বুলি কয় সভাপতি সুধাময় দাসে। তেওঁ প্ৰকৃত শিক্ষাৰে শিক্ষিত হ'বলৈকো আহ্বান জনায়।

# ছিপাঝাৰত দবা প্ৰতিযোগিতা

**ই-সংবাদ, ছিপাঝাৰ, ১৪ ডিচেম্বৰঃ** সদৌ অসম দবা সন্থাৰ উদ্যোগত আৰু দৰং দবা সন্থাৰ সহযোগত ২০২৫ বৰ্ষৰ ৩ জানুৱাৰীৰ পৰা ৭ জানুৱাৰীলৈ ইয়াৰ ছিপাঝাৰ মহাবিদ্যালয়ত অনুষ্ঠিত হ'ব এখন আন্ত:ৰাষ্ট্ৰীয় দবাখেল প্ৰতিযোগিতা। প্ৰতিযোগিতাখনিৰ বাবে ইতিমধ্যে ড° প্ৰসন্ন কুমাৰ নাথক সভাপতি, কন্দৰ্প কলিতাক কাৰ্যকৰী সভাপতি, সাধাৰণ সম্পাদকদ্বয় ক্ৰমে দুলাল ডেকা আৰু দীপু কুমাৰ নাথক লৈ এখন আদৰণী সমিতি গঠন কৰা হৈছে। উল্লেখ্য যে, প্ৰতিযোগিতাখনিত ভাৰতৰ বিভিন্ন ৰাজ্যৰ লগতে কেইবাগৰাকীও বিদেশী প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰিব। দবা প্ৰতিযোগিতাখনিত প্ৰথম তিনিটা স্থানৰ বিজয়ীক পুৰস্কাৰ হিচাপে ক্ৰমে ৫০ হাজাৰ, ৩০ হাজাৰ, ২৫ হাজাৰ নগদ ধন, ফুলাম গামোছা আৰু এটি স্মাৰক প্ৰদান কৰা হ'ব। উল্লেখনীয় যে, ৩ জানুৱাৰী দিনা শুভাৰম্ভণি অনুষ্ঠান আৰু ৭ জানুৱাৰীত সামৰণি অনুষ্ঠানৰ সৈতে সংগতি ৰাখি একাধিক লোক-কৃষ্টিও প্ৰদৰ্শন কৰা হ'ব। প্ৰতিযোগিতাখনিত অংশগ্ৰহণ কৰিবলৈ ইচ্ছুক প্ৰতিযোগীয়ে ৩১ ডিচেম্বৰৰ ভিতৰত 7002745490 আৰু 7002767361 নং ম'বাইল নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে আয়োজক সমিতিয়ে।

# ভাতেমৰাত দেহশ্ৰী প্ৰতিযোগিতা

**ই সংবাদ, পশ্চিম যোৰহাট, ১৪ ডিচেম্বৰঃ** যোৰহাট জিলা ফিজিক্ এলায়েন্সে যোৰহাট জিলা ভিত্তিত আই এফ বি বি পুৰুষ আৰু মহিলা দেহশ্ৰী প্ৰতিযোগিতা ২২ ডিচেম্বৰত সৰুচৰাই ভাতেমৰা গাঁৱৰ নামঘৰৰ সমীপৰ ত্ৰি-শ্বহীদ ভৱনত অনুষ্ঠিত কৰিবলৈ আয়োজন কৰিছে। সদৌ অসম ফিজিক্ স্পৰ্টছ এছ'চিয়েছনৰ স্বীকৃতিপ্ৰাপ্ত অনুষ্ঠানটোৰে আয়োজন কৰা প্ৰতিযোগিতা সন্ধিয়া ৭ বজাৰ পৰা অনুষ্ঠিত হ'ব। অঞ্চলৰতী ৰাইজৰ সহযোগিতা আৰু উপস্থিতি সভাপতি দিব্যজ্যোতি কলিতা, উপ-সভাপতি ভবেশ গগৈ, যুটীয়া সম্পাদক অবিনাশ কৌশিক, বিতুপন দত্ত, সহকাৰী সম্পাদক প্ৰাঞ্জল প্ৰতীম দত্তই কামনা কৰিছে।



ভাৰত-অষ্ট্ৰেলিয়াৰ তৃতীয় টেষ্টৰ এটি মুহূৰ্ত



ব্ৰীছবেন টেষ্টত উইকেট দখলৰ পিছত ভাৰতৰ যশপ্ৰীত বুমৰাহৰ উল্লাস

# জুৰি ৰাজখোৱা গগৈৰ কাব্যগ্ৰন্থ 'পৰুৱাই পোৱা কথাবোৰ' উন্মোচন

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ১৪ ডিচেম্বৰঃ** ষষ্ঠ ডিব্ৰুগড় গ্ৰন্থ মহোৎসৱৰ প্ৰথম দিনটোত জুৰি ৰাজখোৱা গগৈৰ নৱতম কাব্য সংকলন 'পৰুৱাই পোৱা কথাবোৰ' উন্মোচন হয়। কাব্যগ্ৰন্থখন উন্মোচন কৰে বিশিষ্ট কবি, সোণাৰি মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক তথা অসম সাহিত্য সভাৰ পত্ৰিকা সম্পাদক ৰঘুনাথ কাগয়ুং-এ। খোজ অসমৰ ষষ্ঠ ডিব্ৰুগড় গ্ৰন্থ মহোৎসৱৰ আৰম্ভণি অনুষ্ঠানৰ মূল মঞ্চতে উন্মোচন কৰা হয় গ্ৰন্থখন। অভিজাত শংকৰদেৱ প্ৰকাশনে প্ৰকাশ কৰা গ্ৰন্থখনৰ উন্মোচনী অনুষ্ঠানৰ মঞ্চত উপস্থিত থাকে অসম সাহিত্য সভাৰ সভাপতি পদ্মশ্ৰী সূৰ্য কান্ত হাজৰিকা, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডও জিতেন হাজৰিকা, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধ্যাপক তথা বিশিষ্ট সাহিত্যিক ডও কৰবী ডেকা হাজৰিকা, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধ্যাপক ডও ভীমকান্ত বৰুৱা, ডও ভাৰতী দত্ত, অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী প্ৰশান্ত ফুকন, বিশিষ্ট লেখিকা জুৰি বৰা বৰগোহাঞি, ডিব্ৰুগড় জিলা সাহিত্য সভাৰ সভাপতি তথা কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ডও শশীকান্ত শইকীয়া। গ্ৰন্থখন উন্মোচন কৰি সাহিত্যিক অধ্যাপক ৰঘুনাথ কাগয়ুং এ কয় যে সাম্প্ৰতিক সময়ৰ নবীন কবিসকলৰ মাজৰ অন্যতম কবি জুৰি ৰাজখোৱা গগৈয়ে সহজ সৰল শব্দচয়ন আৰু চিত্ৰকল্পৰে মানৰ মনৰ সুক্ষ্মতম ভাব অনুভূতিক সুন্দৰ ৰূপত প্ৰকাশ কৰাৰ লগতে প্ৰকৃতি, মানৱীয় সম্পৰ্ক আৰু সাম্প্ৰতিক সময়ক কাব্যিক ৰূপত সুন্দৰকৈ তুলি ধৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে জুৰি ৰাজখোৱা গগৈৰ উপন্যাস 'ৰাগ-নন্দিনী' আৰু কাব্যগ্ৰন্থ 'বৰষুণ ভালপোৱা ছোৱালীজনী'ৰ পিছত 'পৰুৱাই পোৱা কথাবোৰ' হৈছে তেওঁৰ তৃতীয়খন প্ৰকাশিত গ্ৰন্থ।




newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰি